# Assam Legislative Assembly Debates

सत्यमेव जयते

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## Winter Session

### Volume—II

### No. 9

**The 16th October, 1987**

Price Rs. 10·10

CONTENTS

# Winter Session
## Volume—11
## No. 9

Dated, the 16th October, 1987


| | | | | Page |
|---|---|---|---|---|
| 1, | Laying of the Report. | .... | .... | 1 |
| 2. | Discussion under Rule 50 | .... | .... | 2—38 |
| 3. | Discussion under Rule 49 | .... | .... | 38—44 |
| 4. | Notice of Breach of Privilege. | | .... | 44—46 |
| 5. | Constitution of Inquiry Committee | | .... | 46—48 |
| 6. | Statement by Chief Minister | | .... | 48—52 |
| 7. | Adjournment | .... | .... | 52 |

# DEBATES OF THE
# ASSAM LEGISLATIVE ASSEMBLY, 1987

**Friday, October, 16, 1987**

The House met at 8-30 of the Clock in the Assembly Chamber, Dispur on Friday, the 16th October, 1987 with Mr. Speaker in the Chair.

## Laying of the Report

Hon'ble Speaker :— Item No. 1. Hon'ble Chief Minister.

Shri Prafulla Kumar Mahanta, Chief Minister :—Sir, I beg to lay the report of the Committee of Experts for selection of Site for the permanent Capital of Assam. Copy of the report is also supplied to each Hon'ble Member for information.

Shri Surendra Nath Medhi, (Minister, Law) :—Hon' ble Speaker Sir, I would like to clarify a point. On 14th October '87 Hon'ble Chief Minister has announced in the House that the matter is under consideration. I would

like to state only that the Finl Report has not been considered by the Cabinet as yet and it has not got the approval of the Cabinet as yet.

Shri Hemen Das :--Sir, when the approval of the Cabinet has not got, how can an important matter be laid in the House.

শ্ৰীজয়নাথ শৰ্মা ঃ—মাননীয় অধ্যক্ষ মহোদয়, মই সুধিব খুজিছো যে হাউচত বিভিন্ন পাবলিক আন্দাৰটেকিংচ আৰু অন্যান্য কমিটিৰ ৰিপৰ্ট চাব-মিট কৰিলে সেইটো হাউচে একচেপ্ত কৰা বুলি ইমপ্লাইড হয় নেকি? আৰু এইখনো একচেপ্ত কৰা বুলি ইমপ্লাইড হব নেকি?

Hon'ble Spearker :—The report is laid only for the information of the Members of the House. It is not considered by the House. So, the question of its acceptance does not arise.

Now, item No. 2.

(Member absent)

Next item, item No. 3.

## Discussion under Rule 50

শ্ৰীদেবেশ্বৰ বৰা ঃ—অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫০ নং নিয়মৰ অধীনত "বৰ্ত্তমান অসমত খাদ্য সামগ্ৰীৰ যিদৰে মূল্য বৃদ্ধি হৈছে তাৰ প্ৰতিকাৰৰ বাবে চৰকাৰে কলা বেপাৰীৰ ওপৰত বিধিগত ভাৱে প্ৰয়োজনীয় ব্যৱস্থা লোৱাটো উচিত। এই সম্পৰ্কীয় বিষয় এটাৰ ওপৰত এটি আলোচনা উত্থাপান কৰিছো।

অধ্যক্ষ মহোদয়, এই বিষয়টো অসমত যোৱা ৪ টা বানপানী হৈ যোৱাৰ পিচত খাদ্য সামগ্ৰীৰ এই মূল্য বৃদ্ধি হৈছে। এই মূল্য বৃদ্ধি ৰোধ কৰাৰ

কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে আমি জানিব বিচাৰিছো। আৰু দ্বিতীয়তে বানপানী সুযোগ লৈ আমাৰ কলা বেপাৰী সকলে যি মূল্য বৃদ্ধিৰ প্ৰচেষ্টা চলাইছে সেই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে আমাক জনাব লাগে। তৃতীয়তে অসমৰ কিছুমান বাতৰি কাকতত বিভিন্ন ধৰণৰ কথা প্ৰকাশ পাইছে।

বিশেষকৈ ১৯৮৭ চনৰ ৩০ চেপ্তেম্বৰৰ গণ-বাতৰিত প্ৰকাশিত 'মূল্য বৃদ্ধি প্ৰসংগ : চৰকাৰ সচেতন নহলে পৰিস্থিতিয়ে গুৰুতৰ ৰূপ লোৱাৰ আশংকা।' ৰাজ্যখনত ওপৰা-ওপৰিকৈ হোৱা বানপানীৰ গইনা লৈ এক শ্ৰেণীৰ অসাধু ব্যৱসায়ীয়ে জনসাধাৰণৰ নিত্য ব্যৱহাৰ্য্য বয়-বস্তুৰ মূল্য বৃদ্ধি কৰাৰ কাৰণে সৰ্ব্বসাধাৰণ ৰাইজৰ জীয়াই থকাটোৱেই সমস্যা হৈ পৰিছে। মই আশা ৰাখিছো চৰকাৰে মূল্য বৃদ্ধি ৰোধ কৰাৰ ব্যৱস্থা লব। কাৰণ ৰাইজৰ মনত আশংকাৰ ভাব সৃষ্টি হৈছে যে এনেদৰে যদি মূল্য বৃদ্ধি হৈ থাকে তেতিয়া হলে গুৰুতৰ সমস্যাৰ সন্মুখীন হব। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো বৰ্ত্তমান অসমত শালি খেতি নষ্ট হৈছে আৰু সেইদৰে ভৱিষ্যতে খাদ্য সংকট হব পাৰে। গতিকে ৰাজ্য চৰকাৰে এই খাদ্য সংকট দূৰ কৰিবৰ কাৰণে ব্যৱস্থা লব লাগে। আনহাতেদি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত খাদ্য সংকট হোৱাৰ সম্ভাৱনা আছে। কিয়নো বানপানীৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত খৰাং বতৰ হৈছে। সেয়েহে আহিবলগীয়া দিন বিলাকত খাদ্য সংকট হব পাৰে। গতিকে এতিয়াৰ পৰাই বিহিত ব্যৱস্থা লব লাগে। সদৌ অসম ছাত্ৰ সন্থাই যোৱা ৭ তাৰিখে মজুতকাৰী আৰু চোৰাং বেপাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লবলৈ আহ্বান জনাইছে। মই আশা কৰিছো চৰকাৰে এই কলা বেপাৰী আৰু চোৰাং বেপাৰীৰ ওপৰত কঠোৰ ব্যৱস্থা লব। এই বেপাৰীৰ ওপৰত কঠোৰ ব্যৱস্থা লব। এই মূল্য বৃদ্ধি ৰোধ কৰাৰ ক্ষেত্ৰত আইনগত ব্যৱস্থা লব লাগে। আমি বাতৰি কাকতত পাইছো চৰকাৰে এই ক্ষেত্ৰত নীৰৱ দৰ্শক হৈ বহি থকাৰ নিচিনা হৈছে। গতিকে মূল্য বৃদ্ধি ৰোধ কৰাৰ ক্ষেত্ৰত আৰু স্থিতাৱস্থা বাহাল ৰখাৰ কাৰণে চৰকাৰে আগবাঢ়ি আহিব। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীআলটাফ হুচেইন মজুমদাৰ :—মাননীয় অধ্যক্ষ মহোদয়, মই ধন্যবাদ জনাইছো যে মাননীয় সদস্য দেবেশ্বৰ বৰা ডাঙৰীয়াই যিটো কথা উত্থাপন

* Speech not corrected.

কৰিছে আৰু আলোচনাৰ কাৰণে ডাঙি ধৰিছে সেইটো সময়োপযোগী হৈছে আৰু ই আমাৰ ৰাইজৰ কাৰণে অত্যন্ত প্ৰয়োজনীয়। এই সম্পৰ্কত মই এটা কথা কব বিচাৰিছো যে অ'ত বানপানী কাৰণে মূল্য বৃদ্ধি হৈছে আৰু গোটেই ভাৰতবৰ্ষতে মূল্য বৃদ্ধি হৈছে। মই বানপানীৰ সম্পৰ্কত কওঁ, এইটো কিবা নতুন কথা নে ? অসমত বানপানী হৈ থাকে আৰু থাকিব। আমি বানপানীৰ লগত অসমৰ নিচিনা ঠাইত জীয়াই থাকিব লাগিব। যিমানে ফ্লাড কণ্ট্ৰোল হওক আৰু যিমানেই আঁচনি লোৱা হওক আমি ইয়াৰ পৰা পৰিত্ৰান পোৱা ব্যৱস্থা দেখা নাই। আঁচনি হৈ থাকিব মই এটা কথা বুজি নেপাও বানপানীৰ কাৰণে যদি বস্তুখিনি আহিব নোৱাৰে তেনেহলে যি বস্তু আগতে আহিছিল তাৰ দামটো বেচিকৈ কেনেকৈ হয়। চৰকাৰৰ নাকৰ আগত কেনেকৈ বস্তুৰ দাম বেচি লব পাৰে ? এইটো নাকৰ আগত নহয়, চকুৰ আগত। চকুৰ আগত কেনেকৈ ইমান দামত বেচিব পাৰিলে ? আজি প্ৰশ্ন উঠিছে বেপাৰী বিলাকৰ হাতত চৰকাৰে নিজকে 'চাৰাণ্ডাৰ' কৰি কৰি দিলে নেকি ? মই যদি কওঁ যে বস্তুৰ দাম বাঢ়িছে তেতিয়া আপোনালোকে কব বিৰোধী পক্ষৰ মানুহে এনেয়ে বস্তুৰ দাম বঢ়া বুলি কৈছে, বজাৰত বস্তুৰ দাম বাঢ়িছে বুলি কোনে কৈছে ? আজি শেষৰ দিন মই মোৰ বক্তব্যৰ সামৰণি মাৰিব বিচাৰিছো, মাত্ৰ কেইখনমান বাতৰি কাকতৰ কেইটামান মূল্য বৃদ্ধি সম্পৰ্কত প্ৰকাশ পোৱা বিবৃতি, সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সাতদিনীয়া বাতৰি কাকতৰ ২৩ চেপ্তেম্বৰত প্ৰকাশিত বাতৰি এটা পঢ়ি দিব বিচাৰিছো। বাতৰিটো হ'ল— গুৱাহাটীত প্ৰতি দিনে ৫ লাখ টকা সংগ্ৰহৰ অবিশ্বাস্য বাতৰি। ৰাইজৰ মূৰত ব্যৱসায়ীয়ে মাধমাৰ দিয়া এক চাঞ্চল্যকৰ তথ্য আৰু অঃ গঃ পঃ চৰকাৰৰ অন্ধ যোগান নীতি।' যোৱা কেইসপ্তাহ মানৰ পৰা অসমত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ মূল্য এনে অস্বাভাৱিক ৰূপে বৃদ্ধি পাইছে যে সাধাৰণ মানুহ বিশেষকৈ শ্ৰমিক, কৃষক, কৰ্ম্মচাৰী আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ জীৱন দুৰ্ব্বহ হৈ পৰিছে। কেতবোৰ সামগ্ৰীৰ মূল্য এনে এটা পৰ্য্যায় পাইছেগৈ যে সীমিত উপাৰ্জনৰ মানুহে এই খাদ্য সামগ্ৰীবোৰ কিনাৰ ক্ষমতা বাহিৰলৈ গৈছে। কেতবোৰ সামগ্ৰী অধিক দাম দি বিচাৰিলেও পাবলৈ নোহোৱা হৈ গৈছে। 'অসম ট্ৰিবিউন কাকতৰ ১৯ আগষ্টৰ বাতৰি মতে প্ৰতি কিলো চেনিৰ দাম

৭ টকা, মিঠাতেল প্ৰতি লিটাৰত ২৭ টকা, বনস্পতি ১৫ কিলোৰ টিনত ৩৮০ টকাৰপৰা ৩৯৫ টকা, মচুৰ দাইল ৬ টকা ৮০ পইচাৰ পৰা ৭ টকা। প্ৰতি কিলো আটা ৩ টকা ১৯ তাৰিখৰ হিন্দুস্থান টাইমচৰ মতে উৎকৃষ্ট মিঠাতেলৰ ১৫ লিটাৰ টিনৰ দাম ৪৩০ টকা অৰ্থাৎ প্ৰতি লিটাৰৰ দাম ২৯ টকা। ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত 'আলোড়ন' কাকতৰ ১৫ আগষ্টৰ সংখ্যাৰ মতে ডিব্ৰুগড়ত প্ৰতি লিটাৰ মিঠাতেলৰ দাম ২৮ টকা। অসম ট্ৰিবিউনৰ ২৯ আগষ্টৰ বাতৰিমতে পিয়াজৰ মূল্য ১৪ টকাৰ পৰা ১৬ টকা, ধুবুৰীত ১৬ টকা। অসম বাণীৰ ২৮ আগষ্টৰ সংখ্যাত প্ৰকাশ কৰা খাদ্য দ্ৰব্যৰ মূল্য এনে ধৰণৰ—মিঠাতেল লিটাৰত ২৮ টকা, পিয়াজ-কিলো ১০ টকা, মচুৰ ৭ টকা, নিমখ এটকা, চেনি ৭ টকা, আলু ৩ৰ পৰা ৩.৫০ টকা। 'যুগশংখ' কাকতৰ ৫ চেপ্তেম্বৰৰ বাতৰি মতে মোটা চাউলৰ দাম ৪ টকা, মজলীয়াৰ দাম ৪.৫০ টকা, আটাৰ দাম ৩.২০ টকা, মগু ৮.১০ টকা, মচুৰ ৭.২৫ টকা, নিমখ ২.০০ টকা, আলু ৪.০০ টকা, পিয়াজ ১৬ টকা, চেনি ৭.২০ টকা, মিঠাতেল ৩১ টকা আৰু কেৰাচিন ২.২৫ টকা। ১৪ চেপ্তেম্বৰত প্ৰকাশিত অসম ট্ৰিবিউনৰ শ্ৰীজি, চি ভট্টাচাৰ্য্যৰ এখন চিঠিমতে মিঠাতেলৰ দাম গুৱাহাটীত লিটাৰত ২৮—৩১ টকা, পিয়াজ ২০ টকা হৈছেগৈ। দৈনিক অসমে যোৱা ১৭ চেপ্তেম্বৰ সংখ্যাত লিখিছে—অসম ৰাইজে পিয়াজ খাবলৈ পাহৰাৰ দৰে হৈছে। কোনো কোনো গাওঁ অঞ্চলৰ ৰাইজে মিঠাতেল লিটাৰত ৩০ টকা পৰ্য্যন্ত দৰত কিনিবলগীয়া হোৱাৰ বাতৰি পোৱা হৈছে। আলু নাপায়, পালেও কোনো গাৱত প্ৰতি কেজিৰ দাম ৫/৬ টকা পৰ্য্যন্ত হৈছে। গুৱাহাটীৰ বজাৰত কিছুমান সামগ্ৰীৰ বৰ্ত্তমান খুচুৰা দাম হ'ল মচুৰ—৭.২০ পইচা, মগু—৯ টকা, ৰহৰ—১০ টকা ৫০ পইচা, বুট ডাইল—৭ টকা, মাটি দাইল—৬.৫০ পইচা, আটা—৩ টকাৰ পৰা ৩.৪০ পইচা, ময়দা—৩.৭০ পইচা, চুজি—৩.৫০ পইচা, চেনি—৭.০০ টকা, মিঠাতেল—২৬ টকা ৫০ পইচাৰ পৰা ২৭ টকা, ৰেপচীড তেল—১১.৫০ পইচা, আলু—৩ টকা, লাহী চাউল—৪ টকা ২০ পইচা, ৪ টকা ৮০ পইচা, মোটা চাউল—৩.৮০ পইচা। থোৰতে কবলৈ গলে অসমত খাদ্য দ্ৰব্যৰ মূল্য অঃ গঃ পঃ চৰকাৰৰ দিনত এনেদৰে চূড়ান্ত সীমা পাইছেগৈ যে পূৰ্ব্বৰ কোনো চৰকাৰৰ লগতেই ইয়াৰ কোনো তুলনা কৰিব নোৱাৰি। মূল্য বৃদ্ধিয়ে ৰাইজক সম্পূৰ্ণ পেপুৱা লগাইছে। অসমৰ এই বাতৰি কাকতবিলাক গণ পৰিষদ চৰকাৰৰ সমৰ্থক আৰু আন্দোলনৰ সময়তো তেখেতসকলকে সমৰ্থন কৰিছিল। আজি যিখিনি কথা লিখিছে

সেইখিনি কংগ্ৰেছক সমৰ্থন কৰা বাতৰি কাকতে লিখা নাই? বিৰোধী পক্ষৰ পৰা কলে অঃ গঃ পঃ চৰকাৰৰ জনপ্ৰিয়তা নষ্ট কৰিবলৈ ওলাইছে বুলি কব। মই প্ৰশ্ন কৰিব বিচাৰিছো ইয়াত চৰকাৰ আছে নে নাই। মই বুজি পোৱা এখন ভিতৰুৱা গাৱত কিছুমান গোট কৰিছে। যোগান বিভাগৰ লগত ফেন্সী বজাৰৰ এটা সংস্থা হৈ গৈছে। ফেন্সী বজাৰৰ মানুহে গুৱাহাটীৰ মানুহৰ চাল-বাকলি উঠাই নিয়া যেন অনুমান হৈছে। এ জি পি চৰকাৰে আজি নহয় কালি নহয় ৰাইজৰ আগত এই জবাব দিব লাগিব।

শ্ৰীভৱতচন্দ্ৰ নৰহ :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য দেবেশ্বৰ বৰা ডাঙৰীয়াই মূল্য বৃদ্ধি সংক্ৰান্তত আজি যিটো বিষয়ে সদনত উত্থাপন কৰিছে, তাক মই সমৰ্থন জনাইছো। কাৰণ যোৱা আগষ্ট মাহৰপৰা আমাৰ গোটেই অসমত যিদৰে মূল্য বৃদ্ধি হৈছে সেইটোলৈ চাই মাননীয় সদস্য বৰা ডাঙৰীয়াৰ সৈতে মইয়ো উদ্বিগ্নতা প্ৰকাশ কৰিছো। চাৰী, আগষ্ট মাহৰ পৰা এতিয়ালৈকে অসমৰ বিভিন্ন বাতৰি কাকতত বস্তুৰ মূল্য বৃদ্ধি সম্পৰ্কে বাৰ্তাৰ প্ৰকাশ পাইছে। ৩১ আগষ্টত প্ৰকাশ পাইছে খাদ্য সামগ্ৰীৰ বিষয়ত অঃ গঃ পঃ উদ্বিগ্ন, ৪ চেপ্তেম্বৰৰ অসম বাণীত ফাঁচী বজাৰৰ ফাঁচী কাঠৰ পৰা অসমক বচাওক, ৮ চেপ্তেম্বৰত মূল্য বৃদ্ধিৰ প্ৰতিবাদত আচুৰ অনশন পালন, ১৪ চেপ্তেম্বৰত মজুত-কাৰী আৰু অসৎ ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লওক। ১৫ চেপ্তেম্বৰত উত্তৰ প্ৰদেশৰপৰা খাদ্য সামগ্ৰী অনা ব্যৱস্থা। ১৭ চেপ্তেম্বৰত মূল্য বৃদ্ধি হৈছে কোবাল গতিত, ১৯ চেপ্তেম্বৰত অত্যাৱশ্যকীয় সামগ্ৰী থকা ৰেলৰ দবা খালাচ কৰা নাই। ২০ চেপ্তেম্বৰত মূল্য বৃদ্ধিৰ বিৰুদ্ধে মহিলাৰ বিক্ষোভ আদি শিৰোনামাৰে অসমৰ বিভিন্ন বাতৰি কাকতত প্ৰকাশ পাইছে। আনকি আজি বাতিপুৱা মই বিধান সভালৈ ওলাই আহোতে আজিৰ অসম কাকতত 'চৰকাৰে বান্ধি দিয়া ৰেটত কিমানে বস্তু কিনিব পাৰিছে' শিৰোনামাৰে বাতৰিটো প্ৰকাশ পাইছে আৰু এই বাতৰিটো মই পঢ়িছো। এই গোটেই বাতৰিবিলাক পঢ়ি, মহিলা আৰু ছাত্ৰসন্থাৰ ধাৰণা আৰু অসম গণ পৰিষদৰ বিবৃতিবিলাক পঢ়াৰ পাচত এই গুৱাহাটী মহানগৰীৰ কৰবাত স্বায়ত্ব শাসিত এলেকা আছে যেন লাগে। আৰু সেই এলেকাটোৱেই হৈছে ফাচী বজাৰ। তাৰ ওপৰত কামৰূপ জিলাৰ প্ৰশাসনৰ নিয়ন্ত্ৰন নাই, তাত কি ঘটি আছে সেইবিলাক চকু দিবলৈ কোনো নাই। এই স্বায়ত্ব শাসিত অঞ্চল ফাচী বজাৰ যিখন তাত চিফ এক্সিকিউটিভ মেম্বাৰ কোনোবা, কামৰূপ বণিক সন্থাৰ সভাপতি ও সম্পাদকো

আছে। তেখেতসকলে মাজে মাজে দৈনিক অসম আদি বাতৰি কাকতত ষ্টেটমেণ্ট দিয়া কৰিছে যে— ৰেল আহিব নোৱাৰে অমুক জাগাত ট্ৰাক আহি আছে অসমলৈ আহিব পৰা নাই ইত্যাদি ধৰণৰ ষ্টেটমেণ্টবিলাক দিয়ে। এই ষ্টেটমেণ্ট বিলাকৰ বিৰোধিতা নকৰো। কিন্তু তেওঁলোকে যিবিলাক বিবৃতি দিয়ে এই বিবৃতি বিলাক পঢ়ি কামৰূপ জিলাৰ প্ৰশাসন যেন সন্তুষ্ট হৈছে আৰু যেন অনুমতি প্ৰকাশ কৰিছে এনেকুৱা ধাৰণা হৈছে।

অধ্যক্ষ মহোদয়, যেতিয়া গোটেই গুৱাহাটী মহানগৰীত পিয়াজ নোহোৱা হ'ল, তেতিয়া বাতৰি কাকতত পাইছো ৩ বস্তা পিয়াজ জব্দ কৰা হৈছে। এই বাতৰিবিলাক বা প্ৰদৰ্শনবিলাক ইচ্ছাকৃত ভাবে কৰা হৈছে বুলি মই নাভাবো। কিন্তু যি সময়ত পিয়াজ বিচাৰি পোৱা নাই তেনেস্থলত বাতৰি কাকতত বিবৃতি দি চৰকাৰক ৰাইজৰ মাজত হাহিয়াতৰ পাত্ৰ কৰা উচিত নহয়। কোনো বিষয়া কৰ্ম্মচাৰীক চৰকাৰে এৰি দি তেনেকুৱা কৰিব নেলাগে। গণ পৰিষদ চৰকাৰ ক্ষমতালৈ অহাৰ পিচৰ পৰাই মূল্য বৃদ্ধি হৈছে। এই মূল্য বৃদ্ধি চৰকাৰৰ ভুলৰ কাৰণে নহব পাৰে। ব্যৱসায়ীয়ে সদায় লাভ বিচাৰে। লাভৰ কাৰণে মূল্য বৃদ্ধি কৰে। যদি লাভ বিচাৰি মূল্য বৃদ্ধি কৰিলেহেতেন তাক বেলেগ দৃষ্টিৰে চাব পৰা গলহেতেন। কামৰূপ বণিক সন্থা, ফাচী বজাৰৰ ব্যৱসায়ীসকলে লাভৰ কাৰণে মূল্য বৃদ্ধি কৰা নাই। ইয়াত ৰাজনৈতিক সমল আছে। কামৰূপ বণিক সন্থাত এনে মানুহ আছে যে অসম গণ পৰিষদক আৰম্ভণিৰ পৰাই ভাল নেপায়। চকুৰে দেখিব নোৱাৰে। এই মূল্য বৃদ্ধিৰ অন্তৰালত বহুতো কথা আছে। যোৱা নিৰ্ব্বাচনৰ সময়ত পূব গুৱাহাটী সমষ্টিৰ ফাচী বজাৰত শ্ৰীবিৰাজ শৰ্ম্মা ডাঙৰীয়াই মাত্ৰ ২৮ টা ভোটহে পাইছিল। ই বৰ দুৰ্ভাগ্যৰ কথা। কিন্তু বৰ্ত্তমান সেই সমষ্টিৰেই খাদ্য আৰু যোগান মন্ত্ৰী পদত ৰখা হৈছে। তেখেতেও নিশ্চয় নিৰ্ব্বাচনৰ কথা নাপাহৰিব। সেই ফাচী বজাৰৰ সকলোবোৰ গণ পৰিষদ বিৰোধী। তেওঁলোকে লাভৰ কাৰণে যে মূল্য বৃদ্ধি কৰিছে সেইটো নহয়।

অধ্যক্ষ মহোদয়, আজি মহিলা, ছাত্ৰসন্থা আদি বিভিন্ন সংগঠনে মূল্য বৃদ্ধিৰ প্ৰতিবাদ কৰিছে। অকল যে ছাত্ৰসন্থাই কৰিছে, সেইটো নহয়, ৰাজ্য জুৰি মূল্য বৃদ্ধিৰ প্ৰতিবাদ কৰিছে। মই শিলঙলৈ গৈছিলো আৰু আহোতে ১৫ কেজি পিয়াজ কিনিছো। কিন্তু পিয়াজৰ দাম শিলঙৰ তুলনাত গুৱাহাটীৰ আকাশ পাতাল পাৰ্থক্য।

( ভইচ : শিলঙত কিমান দামত কিনিলে ? )

মই শিলঙৰপৰা ৬.৫০ টকাত প্ৰতি কিলোত কিনিছিলো। শিলঙলৈ বেলেগ ৰাস্তাৰে বস্তু আনে নে ? গুৱাহাটীৰ ফাচী বজাৰৰ মাজেৰেই ট্ৰাকবোৰ শিলঙলৈ যায়। শিলঙত উপযুক্ত দামত পিয়াজ পোৱা যায়, কিন্তু ফাচী বজাৰত কিয় নেপায় ? এইক্ষেত্ৰত জিলা প্ৰশাসনৰ দুৰ্ব্বলতা আছে। যিহেতু গুৱাহাটীত পিয়াজৰ দাম বঢ়াই দিছে, তাক নিৰ্দ্দিষ্ট দামত বিক্ৰী কৰিবলৈ দিব লাগে। কিছুমান ট্ৰাক ৰঙিয়া, বৰপেটাৰোড আদি ঠাইত ৰখাই দি মূল্য বৃদ্ধিৰ সুযোগ লৈছে। খাদ্য আৰু যোগান বিভাগে গোটেই অসমতে খাদ্য সামগ্ৰী নিয়ন্ত্ৰণ কৰি মূল্য বান্ধি দিব লাগিছিল। মোৰ নিজৰ জিলাতেই যেতিয়া পিয়াজৰ দাম ১০ টকা গুৱাহাটীত ২০ টকাৰ পৰা ৪০ টকা হয়। তিনিচুকীয়াতো ১০ টকা। কিন্তু গুৱাহাটীত মাত্ৰ তিনি ঘণ্টাৰ কাৰণে ১০ টকা আছিল। তাৰ পিচত আকৌ ২০/৪০ টকা হ'ল। সেই কাৰণে খাদ্য আৰু যোগান বিভাগে কামৰূপ জিলা প্ৰশাসনৰ যোগেদি মূল্য বৃদ্ধিৰ বিষয়ে এটা নীতি লোৱাটো মই বিচাৰো। মই অসম গণ পৰিষদৰ বিধায়ক আৰু প্ৰাক্তন মন্ত্ৰী হিচাবে এই কথা কৈছো। যিহেতু অসম গণ পৰিষদে মূল্য বৃদ্ধিৰ বিবৃতি দিছে তাত মই একমত প্ৰকাশ কৰিছো। কামৰূপ জিলা প্ৰশাসনক খাদ্য আৰু যোগান বিভাগে নিয়ন্ত্ৰণ কৰিব পৰা নাই। এই ব্যৱসায়ী সকলৰ বিৰুদ্ধে কিবা ব্যৱস্থা লোৱা হৈছে নে নাই ? মই টেলিগ্ৰাফ পেপাৰত পঢ়িবলৈ পাইছো যে মূল্য বৃদ্ধি কৰাৰ কাৰণে কলিকতাত ৰাতিৰ ভিতৰতে ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিছে। যোৱা দুই মাহে মূল্য বৃদ্ধি কোবাল গতিত হৈছে। সিদিনা বাতৰিত পাইছো এজন ব্যৱসায়ীক এৰেষ্ট কৰিছে। এই কাৰণে মই যোগান আৰু খাদ্য বিভাগৰ লগতে কামৰূপ জিলা প্ৰশাসনক অনুৰোধ কৰিছো যাতে যিসকল নিয়ন্ত্ৰণৰ বাহিৰত গৈছে তেওঁলোকক কঠোৰ শাস্তি দিব লাগে। আজি দুমাহৰ ভিতৰত কেইজনক শাস্তি দিয়া হ'ল ? মাত্ৰ এজনক। আজি মানুহে কৈছে যে ব্যৱসায়ীৰ লগত আমাৰ কামৰূপ জিলা প্ৰশাসনৰ বিষয়া কৰ্ম্মচাৰীয়ে হাত মিলাইছে যাৰ ফলত কামৰূপ জিলা প্ৰশাসন নীৰৱ হবলগীয়া হৈছে। কামৰূপ জিলা বণিক সন্থাই যি ব্যাখ্যা দিয়ে তাক পতিয়ন যাব লাগিব এনে নহয়। কিন্তু দেখা গৈছে কামৰূপ জিলা বণিক সন্থাই যি কয় যোগান বিভাগে তাকে মানি লৈছে। কামৰূপ জিলা প্ৰশাসনে বণিক সন্থাই যি ব্যাখ্যা দিয়ে তাত পতিয়ন যাব নালাগে। এই

মূল্য বৃদ্ধিৰ কাৰণেই বিভিন্ন সংগঠনে আন্দোলন কৰাৰ উপৰিও মহিলা সংগঠনে ধৰ্ণা দিছে। এই ক্ষেত্ৰত মই গভীৰ উদ্বেগ প্ৰকাশ কৰিছো। এইখিনি কৈয়ে মই মোৰ বক্তব্য সামৰণি মাৰিছো।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদেৱেশ্বৰ বৰা ডাঙৰীয়াই মূল্য বৃদ্ধি সম্পৰ্কে উত্থাপন কৰাত তেখেতক ধন্যবাদ দিছো। অসমত মূল্য বৃদ্ধি হোৱাটো চৰকাৰে স্বীকাৰ কৰিব লাগিব। মানুহে কয় কোনোবাৰ হয় দুৰ্যোগ আৰু কোনোবাৰ হয় সুযোগ। বানপানী হৈছে অসমৰ বাইজে কষ্ট ভোগ কৰিছে। আনফালে মূল্য বৃদ্ধি হৈ কাৰোবাৰ সুযোগ হৈছে। যিবিলাক মানুহে দিন হাজিৰা কৰে, তেওঁলোকে ১০ টকা ১২ টকা পায়। নিজৰ ল'ৰা-ছোৱালীৰে নিমখ ভাত খাইছে। এই মূল্য বৃদ্ধি সম্পৰ্কত চৰকাৰে গভীৰ চিন্তা কৰিবলগীয়া হৈছে। বাতৰি কাকতত পাওঁ ইমান বস্তু পোৱা হৈছে। কিন্তু বজাৰত বস্তু নাই। আমূল স্প্ৰে, বনস্পতি আদি বস্তু পাবলৈ নাই। কিন্তু অলপ বেছি পইচা দিলেই বস্তু ওলাই যায়। এনেকুৱা পৰিস্থিতিত ৰাইজে বিশেষকৈ দুখীয়া শ্ৰেণীৰ মানুহে কেনেকৈ চলিব চিন্তা কৰিবলগীয়া হৈছে।

কাগজে-পত্ৰে এই মূল্য বৃদ্ধিৰ কথা ওলাইছে। বিজুলী বাতি নাই, তাৰ কাৰণে কেৰাচিনৰ অতীব প্ৰয়োজন হৈছে। কেৰাচিন কিনিবই লাগিব। কিন্তু তাৰো দাম ক্ৰয়ৰ উৰ্দ্ধত। প্ৰতি লিটাৰত দহ টকাকৈ কেৰাচিন বিক্ৰী হৈছে বুলি 'আজিৰ অসম' কাকতত ওলাইছে। এনেকুৱা ধৰণে বস্তুৰ দাম বৃদ্ধি হলে ৰাইজৰ কাৰণে যিমানেই ভাল ভাল আঁচনি লোৱা নহওক কিয় ৰাইজে তাৰপৰা উপকৃত হব নোৱাৰিব। এই ক্ষেত্ৰত আচল বস্তু কি উলিয়াই লব লাগিব। বানপানী হৈ ট্ৰেইন বন্ধ থাকিলে দুই এদিনৰ কাৰণে কিবা বস্তুৰ দাম বৃদ্ধি হোৱাটো একো আচৰিত কথা নহয়। কিন্তু বানপানী গ'ল ট্ৰেইন চলিয়েই আছে, ট্ৰাক চলিয়েই আছে তথাপিতো বস্তুৰ দাম কিয় বাঢ়িব লাগিছে সেইটো চাব লাগিব। খোৱা বস্তুখিনিও যদি নাপায় ৰাইজে তেতিয়া সন্তুষ্টি প্ৰকাশ কৰিব কেনেকৈ ? এইটো চৰকাৰে গভীৰ ভাবে চিন্তা কৰিব লাগে। সেই অনুপাতে ব্যৱস্থা শীঘ্ৰেই গ্ৰহণ কৰিব লাগে। সদনত মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াই কোৱাৰ দৰে পিয়াজৰ দাম প্ৰতি কিলোত পোন্ধৰ-বিশ টকা হোৱাটো আচৰিত কথা। সাধাৰণ মানুহৰ কাৰণে নিত্য

প্ৰয়োজনীয় বস্তু পাবলৈ নাই। পইচা দিলেই ওলাই পৰে। এইটো গভীৰ ভাবে ব্যৱস্থা লব লাগে। নিমখখিনি পানীখিনি সাধাৰণ মানুহে পাব লাগে। মন্ত্ৰী মহোদয়ে এইবিলাক কথা চাব লাগে। বাতৰিত প্ৰায়েই ওলাই আছে। এইবিলাকৰ ব্যৱস্থা লব লাগে। অধ্যক্ষ মহোদয়, দীঘলীয়া নকৰো। এই-খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীজয়নাথ শৰ্ম্মা :—মাননীয় অধ্যক্ষ মহোদয়, আজি ইয়াত অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫০ নং নিয়ম অনুযায়ী মাননীয় সদস্য শ্ৰীদেবেশ্বৰ বৰা ডাঙৰীয়াই যিটো প্ৰস্তাৱ দাঙি ধৰিছে তাত 'অসমত খাদ্য সামগ্ৰীৰ যিদৰে মূল্য বৃদ্ধি হৈছে তাৰ প্ৰতিকাৰৰ বাবে চৰকাৰে কলা-বেপাৰীৰ ওপৰত বিধিগত ভাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱাটো উচিত' এই বিষয়টো দাঙি ধৰিছে। ইয়াত এটা কথা মন কৰিবলগীয়া হৈছে যে চৰকাৰে কলা-বেপাৰীৰ ওপৰত বিধিগত ভাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ কথা আছে। শব্দটো মন কৰিবলগীয়া। কলা-বেপাৰীৰ ওপৰত পোনপটীয়া ব্যৱস্থা লোৱাটো বিচৰা হৈছে। এইটো লোৱা উচিত। মূল্য বৃদ্ধি কিয় হৈছে সেই কথাটো যদি বিশ্লেষণ কৰি চোৱা হয় তেতিয়াহলে আজি ১৯৮৭ চনৰ অক্টোবৰ মাহৰপৰা ৮৬ৰ অক্টোবৰ, ৮৫ৰ অক্টোবৰ তাৰ পিচত ৮৪, ৮৩ এনেকুৱাকৈ আগবাঢ়ি যাব লাগিব। তেতিয়াহলে আমি দেখিম যে কাতি মাহৰ আৰম্ভণি আৰু আহিন মাহৰ শেষত স্বাভাবিকতে বস্তুৰ দাম বৃদ্ধি হয়েই। এইক্ষেত্ৰত কৰিবলগীয়া যে একো নাই সেইটোও নহয়। আমি মন কৰিছো আমাৰ ইয়াত আমি অসম গণ পৰিষদ দলে ৰাজ্যখনৰ শাসনভাৰ লোৱাৰ পিচৰেপৰা অসমলৈ যিবিলাক ৰাজ্যৰ পৰা নিত্য প্ৰয়োজনীয় বস্তুবিলাক আহে আৰু যি-বিলাকত বিশেষকৈ সৰ্ব্বভাৰতীয় ৰাজনৈতিক দলৰ শাসন চলি আছে আৰু অসম বিৰোধী স্বাৰ্থৰ বাবে এই ধৰণৰ কৃত্ৰিম নাটনিৰ সৃষ্টি হৈছে বুলি কব লাগিব। ইয়াৰ মই উদাহৰণ দুটামান দিম। ৰানপানী এই বছৰ কেৱল হোৱা নাই। প্ৰতি বছৰেই হৈ আছে। কিন্তু পিয়াজ আমি আপেলতকৈও বেছি দামত কেতিয়াও কিনি খোৱা নাই। মই সৰুৰে পৰা পিয়াজ খাইছো। মা-দেউতাই সৰুৰে পৰা পিয়াজ খুৱাইছে কিন্তু এতিয়া পিয়াজ খাবলৈ হলে দাম ভবিব লগীয়া হৈছো। অধ্যক্ষ মহোদয়, ১৯৮৩-৮৪ চনত পিয়াজৰ টেক্সেচন ফাচী বজাৰৰ সন্দ্ৰেশ্বৰ সিং নামৰ এজনৰ হাতত আছিল সমস্ত কণ্ট্ৰল টো।

প্ৰতি কেজিত পঞ্চল্লিশ পইচা আছিল ১৯৮১ চনত। ১৯৮২-৮৩ চনত ষাঠি পইচা আছিল আৰু এতিয়াও ষাঠি পইচা টেক্সেচন চলি আছে। শতকৰা সাত পইচা টেক্সেচন হলে এক কেজি পিয়াজ তিনি টকাত বিক্ৰী হলে চৰকাৰে কিমান পাব লাগে? কিন্তু পায় ষাঠি পইচাত বিক্ৰী হোৱাটো সাবে তিনি পইচাহে মাত্ৰ। এতিয়া শুনিছো চেম্বাৰ্চ অব কমাৰ্চে ছয় টকা দাম বান্ধি দিছে। কি অথৰিটি আছে চেম্বাৰ্চ অব কমাৰ্চে তেনে দাম বান্ধি দিয়াৰ কাৰণে। সিদিনা ডি-চিয়ে তিনি বস্তা পিয়াজ ধৰিলে আৰু ৪.৫০ টকা বান্ধি দিলে দাম। কি অথৰিটি আছে ৪.৫০ টকা কৰাত। কি নোটিফিকেশ্বন আছে। তিনি টকাৰপৰা ৪.৫০ টকা কৰিবলৈ ডি-চিক কোনে অথৰিটি দিলে? ফেব্ৰুৱাৰীৰ তিনি তাৰিখে জিলা প্ৰশাসনৰ এজন আৰু এ-ডি-চি এজন মাদ্ৰাজলৈ গৈছিল আৰু একত্ৰিশ তাৰিখে চেম্বাৰ্চ অব কমাৰ্চৰ মানুহ মাদ্ৰাজলৈ গৈছিল। তাতে কিবা বুজাবুজি হ'ল নেকি সেইটোও বিচাৰ্য বিষয়। পিয়াজ আহে নাচিকৰ পৰা। নাচিক কোন ৰাজ্যত আৰু তাত কোন দলৰ চৰকাৰে শাসন ভাৰ লৈ আছে সেইবিলাক কথা চাব লাগিব। গণ পৰিষদ দলক ব্যতিবস্ত কৰিবলৈ ইয়াৰ মাজত ৰাজনৈতিক চাতুৰী নাই বুলি তপ্‌কৰে কৈ পেলাব নোৱাৰি। মই ভাবো গণ পৰিষদ চৰকাৰক শ'লঠেকত পেলাবলৈ ইয়াৰ মাজত চাতুৰী আছে। এইটো ভালদৰে পৰীক্ষা কৰিব লাগে। কামৰূপ প্ৰশাসনৰ এজন উচ্চ বিষয়াৰ দেউতাক সৰ্ব্বভাৰতীয় দল এটাৰ সদস্যই নহয় বিষয়ববীয়াও। এই বিলাক কথাও ইয়াৰ লগত কেনে ভাবে সোমাই পৰিছে নেকি সেই কথাও চাব লাগে। যোৱা ৩-৯-৮৭ তাৰিখে পিয়াজৰ ট্ৰাক এখন জব্দ কৰা হ'ল পানবাজাৰ থানাত ট্ৰাক নং এম-এল-কে—১৮৪৭ কিন্তু চালান মিলাই পালে আন এখন এ-এম-কে নম্বৰৰ। পিয়াজখিনি তিনিদিন ধৰি থানাত ৰখাৰ পিচত এৰি দিলে মেঘালয়ৰ পিয়াজ বুলি। যোগান মন্ত্ৰীক মই অলপ সতৰ্ক আৰু সচেতন হবলৈ অনুৰোধ কৰিছো কিয়নো ফাচী বজাৰৰ মজিয়াতে এপাত অস্ত্ৰ আছে। এই বিষয়টোত যোগান মন্ত্ৰীৰ বিৰুদ্ধে এটা বিৰাট ষড়যন্ত্ৰ চলিছে। ব্যৱসায়ী মহলে যোগান মন্ত্ৰী স্থানীয় এম এল এ হোৱাৰ কাৰণে, তেখেতক আক্ৰমণ কৰিবৰ কাৰণে ফাচী বজাৰত এপাট অস্ত্ৰ তৈয়াৰ কৰিছে। এই অস্ত্ৰৰদ্বাৰা যোগান মন্ত্ৰীক যাতে বিপদত পেলাব পাৰে তাৰ ব্যৱস্থা চলি আছে।

আৰু এটা কথা হৈছে অধ্যক্ষ মহোদয়, একোটা জইণ্ট বেইড কৰে যোগান বিভাগ, কৰ বিভাগ আৰু পুলিচ বিভাগ আদি লগ হৈ। বিভিন্ন ঠাইত এই

জইণ্ট ৰেইড মাজে মাজে হৈ আছে। যোৱা ১৮ তাৰিখে বেলতলাত এনে ধৰণৰ জইণ্ট ৰেইড হৈ গৈছে। সেইদৰে কিছুদিনৰ আগতে ফটাশিল আমবাৰী অঞ্চলতো জইণ্ট ৰেইড হৈ গৈছে। কিন্তু অধ্যক্ষ মহোদয়, জইণ্ট ৰেইড ফাচী বজাৰত কোনো দিনেই নহয় আৰু হোৱা নাই। ১৯৮০ চনৰে পৰাই ফাচী বজাৰত জইণ্ট ৰেইড আজিলৈকে হোৱা নাই। এতিয়া এই গোটেই কথা বিলাক বৰ গুৰুত্ব সহকাৰে চাবলগীয়া হৈছে। এই কথাবিলাকত যদি চৰকাৰে গুৰুত্ব সহকাৰে দৃষ্টি নিক্ষেপ নকৰে তেতিয়াহলে ১৯৮০ চনৰে পৰা ১৯৮৫ চনলৈকে ফাচী বজাৰত যিটো লবিয়ে কাম কৰি আছে সেই লবিয়ে এই চৰকাৰক বিপদত পেলাব পাৰে। গতিকে এই লবিটোৰ ওপৰত জপিয়াই পৰি চৰকাৰে উপযুক্ত ব্যৱস্থা লব লাগে।

আৰু এটা কথা হৈছে অধ্যক্ষ মহোদয়, গুৱাহাটীৰ ফাচী বজাৰত ধনুকা মিল নামৰ এটা তেলৰ মিল আছে। আজি ১০/১২ বছৰ ধৰি গুৱাহাটী এই মিলটোৰ পৰা তেল খায় আছে। এদিন এই মিলটোৰপৰা তেল কিনি-বলৈ গৈ মই দেখিলো যে মিলটোৱে তেল বিক্ৰী কৰি আছে কিন্তু তাত কোনো তেল পেৰা মেচিন নাই। মেচিন নোহোৱাকৈ তেল কেনেকৈ পেৰিছে এই কথাটোত মই আচৰিত হলো। ১৯৮০ চনৰে পৰাই এই মিলটোত তেল পেৰা মেচিন নাই। তেল কিন্তু এই মিলটোৱে সদায়েই বিক্ৰী কৰি আছে। তাৰ পিচত গম পোৱা গ'ল যে ষ্টেটট্ৰেডিং কৰপৰেচনে ৰেপচিড আৰু পামঅইল আনে। ৰেপচিড আৰু পাম অইল মিহলালে মিঠাতেলৰ নিচিনা গন্ধ ওলাই। মিল-তেওঁলোকে এই ৰেপচিড আৰু পাম অইল আনি এই মিলটোক দিয়ে। মিল-টোৱে তাকে মিঠাতেল বুলি বিক্ৰী কৰে। এই বস্তুবিলাক যিবিলাক গুদামত ৰাখে তাৰ মালিক বিলাকক বিচাৰি পোৱা নাযায়। যোৱা সপ্তাহত ৩০০ টিন তেল ধৰিলে এটা গুদামত। কিন্তু সেই গুদামটোৰ মালিক কোন সেইটো বিচাৰি উলিয়াব পৰা নগ'ল। আজি কিছুদিনৰ আগতে ৬০০ টিন পাম অইল হাতে হাতে ধৰিলে। লগে লগে চেম্বাৰচ অব কমার্চে দৈনিক অসমত এটা বাতৰি দিলে যে এইখিনি বস্তু আগতেই এবাৰ ধৰা হৈছিল আৰু সেই একেখিনি বস্তুকেই পুনৰ ধৰা হৈছে। আগতে কিন্তু যিখিনি বস্তু ধৰিছিল সেইখিনি আছিল ৰেপচিড, কিন্তু পিচত যি ৬০০ টিন ধৰিছিল সেইখিনি আছিল পাম অইল। আচলতে একেখিনি বস্তুকেই দুবাৰ ধৰা হোৱা নাছিল। বেলেগ বেলেগ বস্তু ধৰা হৈছিল। তথাপিও চেম্বাৰ্চ অব কমার্চে একে বস্তুকেই ধৰা

বুলি বাতৰি পৰিবেশন কৰিলে। আগতেই এটা কথা ওলিয়াই দিয়া হৈছিল যে বেলৰ ডবা পৰি বস্তু বিলাক পৰি থকা বুলি কোৱা হৈছিল। কিন্তু আচলতে ডবা পৰি বস্তু কতো পৰি থকা হোৱা নাছিল। কেন্দ্ৰীয় চৰকাৰৰ এটা বিভাগে অসম চৰকাৰক ডিফেণ্ড কৰাব কাৰণে এটা বিজ্ঞাপন দিলে যে অসমলৈ অহা বহুতো খাদ্য সামগ্ৰী নিউ গুৱাহাটী ষ্টেচনত পৰি আছে, অসম চৰকাৰে এই বিলাক মুকলি কৰি দিয়া নাই। কিন্তু তাত ৩।৪ টা ডবাহে পৰি আছিল। ডবাকে ডবা পৰি থকা নাছিল। এই সম্পৰ্কত অসম চৰকাৰে এটা স্পষ্টীকৰণ দিয়া উচিত আছিল যে ডবাকে ডবা পৰি থকা নাই। আমাৰ চৰকাৰে এইটো কথা ভাল দৰে চাব লাগে যাতে কোনো ব্যৱসায়ীয়েই ইচ্ছাকৃত ভাবে যাতে দাম বঢ়াব নোৱাৰে তাৰ বাবে কঠোৰ ব্যৱস্থা লব লাগে। অসম চৰকাৰক যে ৰেইলৱে বিভাগে ফাকি দি আহিছে সেইটো কথা চৰকাৰে এটা স্পষ্টীকৰণ দি অসমৰ ৰাইজক বুজাই দিয়াৰ প্ৰয়োজন আছিল।

এতিয়া মই আকৌ আগৰ পিয়াজৰ কথালৈকে ঘূৰি যাব ওলাইছো। ৫ বস্তানে ৩ বস্তা পিয়াজ ধৰিলে তাৰ পিচত ১০০ বস্তা পিয়াজ ধৰিলে বুলি খবৰ ওলাল। সেই সময়ত এজন বিষয়াই মোক টানকৈয়ে কৈছিল যে প্ৰশাসন লগত নাছিল বুলি। গতিকে দেখা গৈছে যে চৰকাৰৰ বিৰুদ্ধে ফাচি বজাৰত অংক কৰি আছে। পিয়াজৰ দাম বঢ়াব লগে লগে এজন ব্যৱসায়ী আহি যোগান মন্ত্ৰীক কৈছিল যে তেখেতক পাৰমিট দিব লাগে তেওঁ পিয়াজ আনি দিব বুলি। কিন্তু যোগান মন্ত্ৰীয়ে তেওঁৰ কথা বুজি পায় তেওঁক পিয়াজ আনিবলৈ নিদিলে। যোগান মন্ত্ৰীৰ সমৰ্থণ নোহোৱাৰ কাৰণেই এই ব্যৱসায়ী জন সেই লাভৰ পৰা বঞ্চিত হল। কোন দুজন বিষয়া মাদ্ৰাজলৈ গৈছিল আৰু তাত কি এগ্ৰিমেণ্ট হৈছিল, এ জি পি চৰকাৰক অবমাননা কৰিবৰ কাৰণে সেই কথা বিলাক ভালকৈ অনুসন্ধান কৰি চাবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালোঁ।

৩ তাৰিখৰ পৰা ৫ তাৰিখলৈ এক ট্ৰাক পিয়াজ ৰখা হ'ল চালান কিন্তু সেইখন গাড়ীৰ নামত নাই বেলেগ গাড়ীৰ নামত আছে কিন্তু তাৰ অনুসন্ধান কৰা নহ'ল। ১৯৮০ চনৰ পৰা এই ফাচী বজাৰৰ লবীটোৰ কোনো জইণ্টৰেইড হোৱা নাই বা এক্সাইজ ৰেইডও হোৱা নাই কিন্তু তেওঁলোকৰ কোনো শাস্তিও হোৱা নাই। মই আৰু এটা কথা বিধান সভাত

কৰ বিছাৰিছো যিটো চৰকাৰৰ দৃষ্টিগোচৰ হোৱা নাই। ১২ লাখ টকাৰ এটা কেলেংকাৰী হৈছে। ফটাশিল আমবাৰীত থকা নবীন ট্ৰেডিং কৰ্পোৰেচনটোৱে তেওঁলোকৰ গুদামত ৰেপচিদ ৰাখি ব্যৱসায় কৰে। তেওঁলোকৰ গুদাম ৰেইদ কৰা হ'ল, মেজিষ্ট্ৰেট ৰাতি ৮ বজালৈ তাত বহি থাকিল। কিন্তু তাৰ পিছত দিল্লীৰ পৰা ফোন আহিল যে নবীন ট্ৰেডিং কৰ্পোৰেচনৰ ব্যৱসায় বন্ধ কৰিব নোৱাৰে এজন আই এ এচ বিষয়াই এই কাৰবাৰ কৰিছে। কাৰণ আই এ এচ বিষয়া সকলে আমাৰ চৰকাৰক যিমান ভয় কৰে দিল্লীৰ চৰকাৰক তাতকৈ আৰু বেছি ভয় কৰে। তাৰ পিছত এটা কথা হ'ল এখন চাধা কাগজত নবীন ট্ৰেডিং কৰ্পোৰেচনৰ গুদামত গুজৰাট অইল চিদনামৰ বস্তু ৰখা হয় বুলি এখন এগ্ৰিমেণ্ট উলিয়ালে। কথা হ'ল এগ্ৰিমেণ্ট থাকিলে আমাৰ চৰকাৰে নিশ্চয় জানিলেহেতেন। এই এগ্ৰিমেণ্টখন কিন্তু ৰেজিষ্টাৰ্ড নহয়। কিন্তু চৰকাৰক শলঠেকত পেলাবলৈ, ৰাইজক শোষণ কৰিবলৈ কলা বেপাৰীৰ লগত লগ লাগি বিষয়াজনে এই ব্যৱস্থা কৰিলে গুজৰাট অইল চিদৰ লগত যিখন তুৰা এগ্ৰিমেণ্ট্ৰ সেইখন ৰেজিষ্টাৰ্ড নহয় আৰু সেইখন বেক দেট দি কৰা। এতিয়া কথা হ'ল এচেনচিয়েল কমোদিটি এক্টমতে কোনোবাই বেয়া কাম কৰিলে চিমপ্লী এক্সপ্লেনেচন কল কৰিব পাৰে। গতিকে সেইটোকে কৰা হ'ল আৰু বিষয়াজনো দিল্লী চৰকাৰৰ মনত ভালহৈ থাকিল। এতিয়া মই যোগান মন্ত্ৰী মহোদয়ক এটা কথা সুধিব বিচাৰিছো নবীন ট্ৰেডিং কৰ্পোৰেচন গুদামঘৰত অবৈধভাৱে ৰখা ৰেপচিদ অইলৰ কেচটোত ৭ ধাৰামতে তেওঁলোকক অকল এক্সপ্লেনেচন কৰিয়ে কিয় বহি থাকিল? আগৰ কথা বেলেগ আছিল কিন্তু অসম গণ পৰিষদ চৰকাৰ ক্ষমতালৈ অহাৰ পিছত এতিয়াও এই মানুহবিলাকে কিয় শোষণ কৰিবলৈ সুবিধা পাইছে যিবোৰে আজি আমাক শোষণ কৰিছে তেওঁলোক বেলেগ দেশৰ তেওঁলোকৰ মাজত আমাৰ হিতাকাঙ্খী নাই। পিয়াজৰ দামৰ ওপৰত আজি কি হুলস্থূল। পিয়াজৰ দাম অকল আমাৰ ইয়াতেই নহয় ত্ৰিপুৰা আৰু পশ্চিমবঙ্গতো বাঢ়িছে কিন্তু অসমত অত্যাধিকভাৱে বাঢ়িছে। ইয়াতে নিশ্চয় কিবা ষড়যন্ত্ৰ আছে। এই বিষয়বিলাক আমাৰ মন্ত্ৰী মহোদয়ে গুৰুত্ব সহকাৰে তদন্ত কৰি চাব লাগে। পিয়াজ বা অন্যান্য সামগ্ৰীৰ ওপৰত মূল্য বৃদ্ধিলৈ চাই চৰকাৰে এতিয়ালৈকে পাবলিক ডিষ্ট্ৰিবিউচনৰ চিস্তেমৰ যোগেদি বিতৰণৰ যি ব্যৱস্থা লৈছে তাক আমাৰ ৰাইজে নতশিৰে মানি লৈছে। গতিকে চোৰাং ব্যৱসায়ী কৰা বেপাৰীসকলে চৰকাৰক বা ৰাইজক যি ধৰণে

শলঠেকত পেলাব চাইছে এইক্ষেত্রত ৩ বেগ পিয়াজৰ ক্ষেত্রত মন্ত্রী মহোদয়ে যি সচেতনতা দেখুৱালে তেনেকৈ আৰু বেছি সচেতন হব বুলি মন্ত্রী মহোদয়ক অনুৰোধ জনালো। মই আৰু এটা পৰামৰ্শ দিব খুজিছো আমাব বাজহ বা সাহায্য মন্ত্রীক তেখেতক মই চেম্বাৰত লগ ধৰিও কৈছো। আমাব যিটো জি আৰ দিয়া হয় সেইটো বস্তুৰ দাম হ্রাস কৰা ক্ষেত্রত ব্যৱহাৰ কৰিব পাৰি নেকি পৰীক্ষা কবি চাব লাগে। এই জি আৰ টকা এজন মানুহক পঞ্চাশ টকাতকৈ বেছি দিব নোৱাবে গতিকে ৫০ কেজি চাউলৰ মূল্য এটকাকৈ কমাই দিব পাৰিলেও আমাৰ মানুহৰ বহুত সহায় হব। অৱশ্যে এইটো চাবচিদি আকাৰে দিব পাৰে কিন্তু চাবচিদি বুলি কলে আকৌ কেন্দ্রীয় চৰকাৰে জি আৰৰ টকা নিদিয়া হব। গতিকে এই শব্দটো ব্যৱহাব নকৰি সেই পইছা-টোকে চাউলৰ দাম কমোৱাত ব্যৱহাৰ কৰিলে বাইজে বৰ সকাহ পাব। তাৰ পিছত ১৯৮০ চনৰ পৰা ফাটীবজাৰ যিটো লৰী সেইটোৱে টেক্স চিলিং প্রাইচ আদিৰ ক্ষেত্রত ফাকি দি আহিছে গতিকে এই বিষয়টো তদন্ত কৰিলে বৰ ভাল পাম। অসম গণ পৰিষদ চৰকাৰৰ দিনত যাতে এই ধৰণৰ কোনো ৰাজনৈতিক ষড়যন্ত্র কৰিব নোৱাৰে তাৰ কাৰণে সচেতন হবলৈ অনুৰোধ জনাই সামৰণি মাৰিলো।

Shri Abul Fazal Golam Osmani :— Hon'ble Mr. Speaker, Sir, some Hon'ble Members, before me, spoke about the price rise and the scarcity conditions that are still prevailing in many places during and after the floods. Sir, they have raised a very pertinent question and also brought the allegations against the Supply Deptt. about its inability to tackle the problem. Sir, we also felt that perhaps the Govt. could not tackle the problem because of their lack of experience. I hope they will not take exception to this remark. It is a fact that they could not take appropriate steps to tackle the problem. In this connection, sir, I would like to refer a newspaper report on which I establish this point and that will be my main part of the deliberations. In 'Janakranti' dated, 26th

September, 1987, an observation by the political correspondent came out. "চৰকাৰৰ বণিক প্ৰীতি ঃ মূল্য বৃদ্ধিৰ মেজিক"। 'মধুৰ সম্পৰ্ক গঢ়াত অসমৰ বিশেষ সম্প্ৰদায়ৰ বৃহত ব্যৱসায়ী সকলৰ পাৰ্গতালিৰ কোনো তুলনা নাই। দিছপুৰত যি দলৰেই চৰকাৰ নাথাকক কিয়, তেওঁলোকক নাকি লগাই ঘুৰোৱাৰ ক্ষমতা তেওঁলোকৰ আছে। অ গ প দলেও ফাঁচী বজাৰৰ প্ৰেমত এতিয়া অন্ধ প্ৰেমিকৰ দৰে হৈ পৰিছে। কামৰূপ জিলাৰ উপায়ুক্তই জনসম্পৰ্কৰক্ষী বিষয়াৰ জৰিয়তে এটি বাতৰিৰ ওপৰত সাপ্তাহিক কাকত এখনত দিয়া স্পষ্টিকৰণ এটাৰ এঠাইত কৈছে যে "গুৱাহাটীৰ বজাৰত পিয়াজৰ বাহিৰে অন্যান্য সামগ্ৰীৰ দামৰ কোনো বৃদ্ধি হোৱা নাই। উক্ত বিবৃতিটোত জিলা কৰ্তৃপক্ষই এই বুলি দেখুৱাই দিছে যে গুৱাহাটীতকৈ কলিকতাতহে বস্তুৰ দাম বেছি। জিলা কৰ্তৃপক্ষৰ এই গোকাট মিছা কথা শুনি ৰাইজে ইচ্ছামতে কান্দিবও পাৰে হাঁহিবও পাৰে। অ গ প চৰকাৰে ডাঙৰ বেপাৰীমখাক কেনেকৈ বচাব পাৰে তাৰেহে চল চাই থকা দেখিছোঁ। জিলা কৰ্তৃপক্ষই উক্ত স্পষ্টিকৰণৰ আন এঠাইত কৈছে যে "কেইজনমান অসাধু ব্যৱসায়ীয়ে পিয়াজৰ মূল্য দহ পোন্ধৰ টকা বা ততোধিক দামত বিক্ৰী কৰা ঘটনাকে সাধাৰণ বজাৰৰ ছবি বুলি ধৰিব নোৱাৰি আৰু তাৰ বাবে কোনো এক বিশেষ ব্যৱসায়ী গোষ্ঠীক জগৰীয়া কৰিব নোৱাৰি।

Sir, I am still a learner of assamese language and with difficulties I will try to elaborate my statement. I hope perhaps the Hon'ble Members of the House will not mind. Its Public Relations Officer জিলা কৰ্তৃপক্ষই এই মূল্য বৃদ্ধিৰ টাঙোনধাৰী এই বণিক সকলৰ হৈ এনেদৰে কলা চোলা পিন্ধিলৈ ওকালতিত নামিব বুলি তাক যি সকলে ভাবিবই পৰা নাছিল সেইসকলক গোমূৰ্খ বুলি কবই লাগিব। I hope Mr. Hemen Das will mind it (Shri Hemen Das: it is not my Statement.) What is that Sir? The District Administration is justifying the sale of onion at the rate of Rs. 10 to Rs. 15/- per K.G. saying that it is not the general feature. Was it not a fact that throughout the State we experienced the unusual rise in the price of onion along with other essential

commodities? Sir, this is the role of the District administration of Guwahati where the Directorate of Supply and the Ministry of Supply are being run. This is a very important matter where the whole Government is involved for its inaction for its inexperience. That is not before the very nose, it is something else. Sir, there are so much of power vested with the Government specially in relation to essential commodities to go anywhere to ask any one whether Union or State Government to sieze essential commodities. Sir, recently these are being done in West Bengal even without the clearance of the persons concerned or in the opposition of the Railway authorities. They can ask the officials to sieze the commodities. But you did not do it. Such a statement tells the capability of the Government to deal with the emergency.

যোৱা দহ বাৰ দিন ধৰি বঙ্গাইগাওঁৰ পৰা নিউ গুৱাহাটীলৈকে ৰেল ষ্টেচন-বোৰত বৃহৎ বণিকসকলৰ ৩০১টা বয়বস্তুৰ ডবা খালাচ নোহোৱালৈকে পৰি থাকিল ইয়াৰে ১৫০টা অত্যাৱশ্যকীয় সামগ্ৰীৰ ডবা বুলি ৰেল কৰ্ত্তৃপক্ষৰ পৰা জনা গল। কেৱল নিউ গুৱাহাটী ষ্টেচনতেই ৫১টা এনে ডবাই বণিকসকলৰ মজুত গুদামৰ দৰে হৈছে। ৰেলকৰ্ত্তৃপক্ষই সাত দিন সময় দি কৈছে যে যদি ব্যৱসায়ী সকলে এই ডবাবোৰ খালাচ নকৰে তেনেহলে এনে বয়বস্তু নীলাম কৰা হব। ৰেল কৰ্ত্তৃপক্ষই এনে খালাচ নকৰা অত্যাৱশ্যকীয় সামগ্ৰীবোৰ জব্দ কৰিবলৈ ৰাজ্য চৰকাৰক অনুৰোধ কৰা বুলি দৈনিক কাকতৰ ষ্টাফ ৰিপোৰ্টাৰক কলে। এই বাতৰি প্ৰকাশৰ দুদিন পিচত অ গ পৰ দৰে অসমীয়া উদ্ধাৰ কাৰ্য্যত ব্ৰতী চৰকাৰৰ যোগান বিভাগে অসমীয়া দৈনিক এখনত বাহাল তৰিয়তত নাকটো উলিয়াই দি কলে যে "সময়মতে ৰেল কৰ্ত্তৃপক্ষই ৰাজ্য চৰকাৰক জনোৱা নাই। ডবাবোৰত হাতী নে ঘোৰা আছে তাৰ খবৰো হেনো খাটাংকৈ ৰাজ্য চৰকাৰক ৰেল কৰ্ত্তৃপক্ষই নিদিলে। ডবাবোৰ কাৰ নামত আহিছে সেই তথ্যও হেনো ৰেলকৰ্ত্তৃপক্ষই অ গ প চৰকাৰক দিব নোৱাৰিলে। সেইদিনাৰ কাকততেই বণিক সন্থাই চৰকাৰৰ লগতে একেটা

শিৰোনামাতেই কলে যে ৫১টা ডবাৰ মাত্র ১টা ডবাতহে দাইল আছে, তাকো কাগজৰ সৈতে ডবাৰ নম্বৰ নিমিলা বাবে বণিকৰ বন্ধুৱা সকলে উলিয়াব পৰা নাই। কিন্তু বণিক সকলৰ সন্থাটোৱে নিউ গুৱাহাটী ৰেল চৌহদত থকা বাকী ৫০টা ডবাত কি আনিছে তাক নকলে। বাইজে বণিক সকলৰ বিবৃতিৰ পৰা জানি লব পাৰে যে বাকী ৫০টা ডবাত দাইল নাই, আলু, পিয়াজ, চেনি ইত্যাদি অন্যান্য খাদ্য দ্রব্য ও থাকিব পাৰে। কিন্তু দাইল নাই। দাইল নথকাটো স্বাভাৱিক কাৰণ দাইলৰ দাম বৰ বেছি বঢ়া নাই, দাইলৰ দাম বঢ়াবলৈ দাইল কমকৈ নানিলে মস্ত মস্ত বণিক সকলক টানি অনুৰোধ কৰি বিবৃতিটোত কলে যে বণিক সকলে যেন দয়া কৰি অত্যাৱশ্যকীয় সামগ্ৰী থকা ডবাবোৰ খালাচ কৰি অসমৰ মানুহক মুক্তি দিয়াৰ ব্যৱস্থা কৰে। এতিয়া কথা হল যোৱা দহ বাৰ দিন থৰি কিহৰ বাবে বহুত ব্যৱসায়ী সকলে দহদিন ধৰি বস্তুৰ মূল্য বৃদ্ধি ঘটোৱাৰ এই অভিনৱ কায়দাৰ বাবে অ, গ, পই তেওঁ-লোকক শাস্তি দিয়াৰ কথা ভাবিব নোৱাৰিলে। কেৱল ডবাবোৰ অনুনয় বিনয় কৰি খালাচ কৰাৰ বাবে অনুৰোধ কৰিলে। আনহাতে উক্ত ডবাবোৰ কাৰ তাক জানিবলৈ ৰাজ্য চৰকাৰে ৰেল কর্তৃপক্ষক বিৰাট অনুৰোধ কৰাৰ প্ৰয়োজন নাই। ডবাবোৰৰ তালিকাৰ বহীটো চালেই হল আৰু বহীটো ৰেল কর্তৃপক্ষই নেদেখুৱাকৈ গ্ৰাহকক ৰাখিব নোৱাৰে। মুঠৰ ওপৰত বনিক সকলে সস্তাত মিঠতেল খুউৰ মূল্য বৃদ্ধি নকৰিবলৈ খুচুৰা ব্যৱসায়ীক আহ্বান কৰা ইত্যাদি বিবৃতি যিদৰে কাকতত দি আহিছে তালৈ চাই ভাব হয় যেন বণিক সন্থাইহে ৰাজ্যখনৰ অর্থনৈতিক প্ৰশাসনৰ মূৰব্বী। কাৰণ চাৰে চাৰি টকাত পিয়াজ বেছিবলৈ চৰকাৰে বণিক সকলক কোৱাত কম লাভ দেখি জেদ কৰি পিয়াজ অনাটো বন্ধ কৰি দিছে। বণিক সকলক পিয়াজৰ কিলোত ৭ টকাকৈ বেচিবলৈ দিব লাগে। নহলে বেচেৰাহতৰ লাভ নহয় বোলে। অসমৰ বাহিৰত পিয়াজৰ খুচুৰা দাম এতিয়া পাচ টকাৰ বেচি নহয়। কিলোই প্ৰতি বণিক সকলক দুটকাকৈ লাভ লাগে। নহলে বণিক সকলে শুকাই মৰিব বুলি ৰাউচি জুৰিছে। বণিক সকলে আজি তেওঁলোকৰ ইচ্ছা অনুযায়ী ৰাইজক পিয়াজ খাবলৈ দিয়া নাই, কাইলৈ ইচ্ছা কৰিলে চাউল বন্ধ কৰি দিব। পৰহি আলু বন্ধ কৰি দিব পাৰে।

Sir, I corroborate the statement of the hon'ble member. It appears that the economy of the State is being

run by the businessmen, বেপাৰীবোৰৰ এই ছুবৱস্থাত দিছপুৰৰ চকু চলচলীয়া হৈ পৰিছে, কাইলৈ ধাৰাসাৰে চকুলো পৰিব। অসমৰ ৰাইজ বৰ অকৰা বেছি দামত বস্তু কিনি খালে বণিকৰ ওপৰত খং কৰে। অকৰা মখাৰ লগত বেপাৰ বৰ টান। অৱশ্যে তেওঁলোকৰ ভাগ্যত প্ৰফুল্ল বিৰাজ কৰিছে, নহলে বৰ মস্কিল হব।

As stated by the Hon'ble member, Shri Bharat Narah, onion is sold at Rs. 5/- per Kg in Meghalaya where the transport cost is much more than that of Assam. Whenever we go continental countries like France, Germany etc and talk to the people, sometimes, we talk contrary to what we want to say. But the people there sympathetic. So, I appeal that my inefficiency may be condoned. I hope within two or three years, I would be able to deliver a lecture.

Sir, I have nothing more to say. Government should, therefore, realise what powers they have got to deal with the situation. We thought in some respect, this Government did well in the distribution of flood relief. But in some other places, the distribution of relief was diplorable. I hope the Government have sufficient powers to deal with the situation. If there is no will on the part of the Government, there may be motivation or alternatively, there may be that the Government is inexperienced. Sir, I hope they will learn from this year's flood which is recurring in Assam. With these few words, I conclude.

* শ্ৰীহেমেন দাস :—মাননীয় অধ্যক্ষ মহোদয়, অসমৰ জনসাধাৰণৰ কাৰণে আজি এই বিষয়টো সদনত আলোচনা কৰিবলগীয়া হৈছে। আগতেই আমি এই বিষয়টো জনা উচিত আছিল। মূল্য বৃদ্ধি যে আজি অকল অসমতে

* Speech not corrected.

হৈছে এনে নহয়— গোটেই ভাৰতবৰ্ষতে হৈছে। যি কেইজন মাননীয় বিধায়ক বন্ধুৱে আজি বয়-বস্তুৰ মূল্য বৃদ্ধিত অতীষ্ঠ হৈছে তেখেত সকলক মই আবেদন জনাইছো—এই মূল্য বৃদ্ধিৰ বিৰুদ্ধে আন্দোলন কৰোহক। বনিক নিৰ্ভৰশীল অৰ্থনীতিত মূল্য বৃদ্ধি এনেয়ে ৰোধ কৰিব পৰা নেযাব। আজি পশ্চিমবঙ্গ, ত্ৰিপুৰা আদি ৰাজ্যতো মূল্য বৃদ্ধি হৈছে— কিন্তু কিছুমান ৰাজ্যত কম মূল্য বৃদ্ধি হৈছে আৰু কিছুমান ৰাজ্যত ই অতিপাত ভাৱে মূল্য বৃদ্ধি হৈছে। আমি এই বিষয়ে আলোচনা কৰি জনসাধাৰণক কিছু পৰিমাণে হলেও মূল্য বৃদ্ধিৰ কবলৰ পৰা সকাহ দিয়াৰ ৰাস্তা দিব লাগে। চৰকাৰে ফুড চাবচিদি দিয়াটো বৃদ্ধি কৰিব লাগে, চৰকাৰে বজাৰৰ পৰা বস্তু কিনি কম দামত জনসাধাৰণক যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে— ফুড চাবচিদি নিয়মেৰে। আমি কৃষক সকলক উচিত মূল্য দিব লাগে কিয়নো তেওঁলোকে বস্তু উৎপাদন কৰিছে আৰু চহৰবাসী বা অন্যান্য বাইজক কম দামত দাইল, চেনী, চাউল যোগান দিয়াৰ ব্যৱস্থা কৰিব লাগে। সেয়ে মই কওঁ ফুড চাবচিদি বৃদ্ধি কৰিব লাগে। আজি বনিক নিৰ্ভৰশীল বজাৰৰ পৰিবৰ্ত্তন সধাতো অপৰিহাৰ্য্য হৈ পৰিছে। পাইকাৰী ব্যৱসায় ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে। আজি ভাৰতবৰ্ষৰ এমুঠিমান ব্যৱসায়ীয়ে কোটি কোটি ভাৰতবাসীৰ ভাগ্য নিয়ন্ত্ৰণ কৰিছে। আজি ফাটী বজাৰে উঠ বুলিলে উঠ আৰু বহ বুলিলে বহ কৰিছে। আজি ফাটী বজাৰৰ ব্যৱসায়ীক গালি পাৰি লাভ নাই। প্ৰয়োজনবোধ কৰিলে আজি অসম চৰকাৰে গোটেইখিনি অতি প্ৰয়োজনীয় খাদ্য সামগ্ৰীৰ একচেতীয়া ব্যৱসায় চলাব পাৰে। আজি অসমত ষ্টেটফেড আছে। তেওঁলোকে এই কাম হাতত লব পাৰে। আগতে প্ৰত্যেক গাওঁ পঞ্চায়ত এলেকাত সমবায় দোকান আছিল। কিন্তু অমনোযোগিতাৰ কাৰণে সেই দোকানবোৰ আজি বন্ধ হৈ গ'ল। আজি ষ্টেটফেডে বাহিৰৰপৰা বস্তু কিনি, সমবায় সমিতি সমূহৰ জৰিয়তে, কম দামত জনসাধাৰণক অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী বিতৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে।

আজি ভাৰতবৰ্ষৰ কিছুমান ৰাজ্য চৰকাৰে দুটকা কিলোত জনসাধাৰণক চাউল দিব পাৰিছে— ইয়াৰ কাৰণে সেই চৰকাৰ কমিউনিষ্ট হব নেলাগে।

( ভয়চ—কোন ৰাজ্যত )

আজি অন্ধ্ৰ প্ৰদেশ চৰকাৰেই দুটকা কিলোত জনসাধাৰণক চাউল খাবলৈ দিছে। অন্ধ্ৰতো আঞ্চলিক দলৰ চৰকাৰ আমাৰ ৰাজ্যতো আঞ্চলিক দলৰ চৰকাৰ। গতিকে আমাৰ চৰকাৰে অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী শ্ৰীএন, টি, ৰামাৰাওৰ

পৰা এই বিষয়ত পৰামৰ্শ লৈ কামত আগবাঢ়িব পাৰে। আজি আমি ফাচী বজাৰৰ ওপৰত নিৰ্ভৰশীল কাৰণেই গুৱাহাটীত বস্তুৰ দাম বাঢ়িছে এনে নহয়, মোৰ সৰভোগ সমষ্টিত ফাচী বজাৰ নাই কিন্তু তাতো দাম বাঢ়িছে, বস্তু নাই, চেনীৰ অভাৱত মই বাহিৰপৰা নামি সদায় চাহ খোৱা দোকানখন বন্ধ হৈ আছে, চেনী পাবলৈ নাই। যোৱা মাহৰ ২৪/২৫ তাৰিখৰ পৰা চেনি বিচাৰি পোৱা নাই। ১২ টকা চেনিৰে মোৰ চাহ খুৱাব পৰা সাধ্য নাই। মই চেনি নিকিনো। ঠিক সেইদৰে পাঠশালাত চেনি নাই। তাৰ পাচত ২৮ তাৰিখে খবৰ পালো বৰপেটা ষ্টেটফেডে ৬ টকাত চেনি বিক্ৰি কৰি আছে। তাৰপৰা ২ কেজি চেনি নিলো। এতিয়া কথা হ'ল কোনে কাক ধৰিব? চৰকাৰে সস্তা দামৰ সমবায় কৰিছে। চৰকাৰে আইন কৰিছে। যি ধৰণৰ ঘটনা হব ধৰিছে চৰকাৰ আছে বুলি কম নে? এই চৰকাৰ গাড়ীলৈ অহাৰ পাচত কিছুমান অফিচাৰ মহন্ত চৰকাৰৰ ডাঙৰ এ জি পি হব ওলাইছে। বৰপেটা ৰোডত চেনিৰ দাম আৰু অন্যান্য বস্তুৰ দাম বাঢ়িছে কেনেকৈ বাঢ়িছে কোনোবাই তদন্ত কৰিবনে? নাই কৰোতা নাই। ইয়াত মন্ত্ৰী আছে, তাত নাই। ছাত্ৰ সন্থাৰ কিছুমান ল'ৰাই ৰেপচিড ধৰিলে বাতৰি কাকতত ওলাল। কিন্তু এবেই নকৰিলে। এইবিলাকৰ বিচাৰ নাই কেচ নহয়। ডাঙৰ এ জি পিক খাটিব কৰে। গাওঁ অঞ্চলত এইবিলাক কথা হৈছে। তাৰ প্ৰতি দৃষ্টি ৰাখক অকল ফাচী বজাৰেই নহয় আৰু বহুত ফাচী বজাৰ আছে। সৰভোগৰ পূৱ বংশৰ চকা সমবায় সমিতিৰ এটা ঘটনা কব বিচাৰিছো। এক ট্ৰাক চাউল আৰু চেনি কোকৰাঝাৰ আৰু বিজনিত বিক্ৰি কৰিছে। অহুকানে পহুকানে খবৰটো ওলাল। প্ৰশাসনে খবৰ কৰি কি কৰিলে। ধূমধাম পূৱ দমকাৰ সুলভ মূল্যৰ সকলো দোকানৰ কাগজ পত্ৰ চিজ কৰিলে। মই মনে মনে আছো পাৰ্টিৰ পৰা খবৰ পালো এনে হৈছে। যোগান বিভাগৰ অফিচাৰে বেপাৰীৰ বহীবিলাক লৈ গৈছে। কিবা একচন লয় নে নলয় কোনে জানো এতিয়া জানিব পাৰিছো তেওঁলোকে সেইবিলাক বিজনিত সুলভ মূল্যৰ দোকানত বিতৰণ কৰিছে। ইয়াৰ বিচাৰ কোনে কৰিব? এই বিলাক তদন্ত কৰিব লাগে। কিন্তু যাক ভাবিছে তেওঁ খায়েই আছে। চৰকাৰৰ চোৰাংচোৱা বিভাগ আছে। এইবিলাক চাব লাগে। মই এজন সাংবাদিকলৈ চাহ খাবলৈ যাওঁতে এম, এল, এ হোষ্টেলৰ ভিতৰত পুলিচ এচাই, নে এচাই কব নোৱাৰো মোৰ পিচ লৈছে। বৰপেটা ৰোডৰ কোন মিল

মালিকক কোন অফিচাৰে গৈ এজন এজন কৈ মাতি আনি কি বন্দবস্ত কৰিছে কোনোবাই তদন্ত কৰিব নে? কথা হ'ল তদন্ত কৰাৰ আগতেই বাট ভেটি ৰাখিছে সেই কাৰণে মই কৈছো তদন্ত কৰিব লাগে। সচা কথা কোৱা সুলভ মূল্যৰ দোকানৰ মানুহ মই আনি দিম। আজিলৈকে চোৰাং কাৰবাৰ কৰা মানুহক কিয় এৰেষ্ট কৰা নাই? এৰেষ্ট হব লাগিছিল। সৰভোগৰ চাউল বিজনীত বিক্ৰি হয় এৰেষ্ট নহয় কিয়? তেনেকুৱা বিষয়া কিছুমানক শাস্তি দিয়ক। ৰাজহুৱা বিতৰণ ব্যৱস্থা শক্তিশালী কৰক। খাদ্যৰ চাবচিডি দিয়ক। কেইদিনমান আগতে গ্ৰাহক প্ৰতিৰোধ কমিটিৰ জৰিয়তে পিয়াজৰ বিৰুদ্ধে আন্দোলন কৰিছিল। দৈনিক অসম বাতৰি কাকত পঢ়ি মই হাহিছিলো। পিয়াজ নাখালে মানুহ নমৰে। পিয়াজ নাখাব, চেনি নাখাব, দাম বাঢ়িছে। যদি কেতিয়াবা কাপোৰৰ দাম বৃদ্ধি হয়, কাপোৰ নিপিন্ধিব, তেতিয়া কেনে হব? গতিকে এই দৃষ্টি-ভঙ্গি পৰিত্যাগ কৰি জনসাধাৰণক জীয়াই ৰখাৰ চেষ্টা কৰিব লাগিব। গাওঁ অঞ্চলত ভয়ানক দুৰ্যোগ আহিছে। চৰকাৰে চাউল আটা, নিমখ এই তিনিবিধৰ যোগান বেচিকৈ দিয়ক। গাওঁৰ মানুহে তেল, দাইল নিচিনাই হৈছে। ১০.৫০ টকাত ৰহৰ দাইল গৰীব মানুহৰ খাদ্য নহয়। বাকী জনসাধাৰণৰ কাৰণে চেনি, দাইল, তেল, বনস্পতি আদি দিব পাৰে। এজন অফিচাৰ জন্মৰপৰা মৃত্যুলৈকে একেঠাইত নথকাৰ ব্যৱস্থা কৰক। নহলে আজিৰ আৰু আগৰ চৰকাৰৰ কি পাৰ্থক্য? অদল-বদল কৰিব লাগে। ইয়াকে কৈ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীশ্বহিদুল ইছলাম:—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য দেবেশ্বৰ বৰা ডাঙৰীয়াই খাদ্য সামগ্ৰীৰ ওপৰত যি আলোচনা উত্থাপন কৰিছে তাৰ কাৰণে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। অসম আজি স্বাধীনতাৰ ৪০ বছৰত ভৰি দিছে। এই ৪০ বছৰত তিনিটা দলে ৰাজত্ব কৰিছে। কংগ্ৰেছৰ দিনত প্ৰতিবাৰ দেখিছো ইলেকচনৰ পিচত নিমখৰ দাম সদায় বাঢ়ে। ঠিক সেই ধৰণে চাহপাতৰো দাম বাঢ়ে। ইলেকচনৰ পাচত দাম বঢ়াই দি নিৰ্ব্বাচনি খৰছৰ সমতা আনে। তাৰ পাচত জনতা চৰকাৰৰ দিনত খাদ্য সামগ্ৰীৰ মূল্য বৃদ্ধি হোৱা নাই। খাদ্য সামগ্ৰীৰ দাম ঠিক লেভেলত ৰাখিছিল। তেতিয়াৰ খাদ্যমন্ত্ৰী দুলাল বৰুৱাই ষ্টেটফেডৰ আমদানী কৰিছিল আৰু সুলভ মূল্যৰ

---

* Speech not corrected

জৰিয়তে দাইল, তেল আদি বিতৰণ কৰা হৈছিল। তেতিয়া বাতৰি কাকতত লিখিছিল তুলালৰ দাইল এতিয়া অ, গ, পৰ আলু, পিয়াজ। বাতৰি কাকত হ'ল গণতন্ত্ৰৰ ভেটি এই বস্তুৰ মূল্যৰ কথাটো বাতৰি কাকতত হেড লাইনত প্ৰকাশ হলে হয়তো সমস্যাৰ কিছু সমাধান হ'লহেতেন। কিন্তু বাতৰি কাকতত সৰু সৰু আখৰেৰে ওলাইছে। চৰকাৰ হ'ল পলিচি মেকিঙৰ কাৰণে অমুক কৰা নাই, অমুকে কৰা নাই। তেনেহলে চৰকাৰ কিহৰ কাৰণে গাডীত বহি আছে পলিচি মেকিঙত চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈছে। এদিন কলম্বচৰ নিচিনাকৈ মইও গুৱাহাটীত পিয়াজ আৱিস্কাৰৰ কাৰণে ওলালো। এখন দোকানত ১৬ টকা দামৰ পিয়াজ ওলাল। দোকানত কেইবাজনো ভদ্ৰলোক বহি আছে আৰু নানা ধৰণৰ মন্তব্য কৰিছে। এইবিলাক শুনি মোৰ নিজৰে লাজ লাগিল। কনট্ৰোলিং কেপাচিটি ফাচী বজাৰৰ নহয়, যোগান মন্ত্ৰীৰহে। খাদ্য সামগ্ৰীৰ ষ্টেটফেড আদিত বা অন্যান্যভাৱে যোগান নথকাৰ পৰা ধৰিব পাৰি যে চৰকাৰৰ দূৰদৰ্শিতা নাই। এই দূৰদৰ্শিতা নথকাৰ কাৰণে মই যোগান মন্ত্ৰীৰ পদত্যাগৰ দাবী কৰিছো। অসমৰ জনসাধাৰণে আজি খাদ্য সামগ্ৰীৰ কাৰণে কৰাল মৃত্যু মুখত পৰিছে। অসমত বস্তু জুই চাই দাম হৈছে আৰু দুৰ্ভিক্ষ হৈছে। মই তাৰ উদাহৰণ দিব বিচাৰিছো যে ধূমপুৰা অঞ্চলত ১৭ জন মানুহ মৃত্যুৰ মুখত পৰিছে তেওঁলোকে খাদ্যবস্তুৰ মূল্য বৃদ্ধি হোৱা কাৰণে বস্তু কিনি খাব নোৱাৰি মৃত্যুৰ মুখত পৰিছে। সেই মানুহ কেইজন হ'ল—জিয়াউল, ৰফিকুল, হালিমা, চোমান আলি, আনোৱাৰা, মনি দাস, আমিনা ইত্যাদি কৰি ১৭ জন। অসমক আজি দুৰ্ভিক্ষ হিচাবে ঘোষণা কৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা দাবী কৰি সুলভ মূল্যৰ জৰিয়তে খাদ্য বস্তুৰ যোগান ধৰিব লাগে। যাতে অসম বাসী ভৱিষ্যৎ দুৰ্ভিক্ষৰ পৰা ৰক্ষা পৰিব পাৰে। আমাৰ বৰ্ত্তমান যি উদিয়মান চৰকাৰ, সেই চৰকাৰে যাতে অসমৰ জনসাধাৰণক খাদ্যৰ অভাৱত মৃত্যু মুখত নেপেলাই তাৰ কাৰণে তৎপৰ হব বুলি মই আশা ৰাখিছো। তাৰ উপৰি উদিয়মান চৰকাৰে যদি কিবা ভুল কৰে তেন্তে জনসাধাৰণৰ হাহিয়াতৰ পাত্ৰ হব। লগতে যুৱক সমাজৰ নামত এটা কলঙ্ক আহিব গতিকে আশা ৰাখিছো চৰকাৰ নিকা কৰি পলিচি মেকিং ঠিক কৰি সমগ্ৰ অসমত খাদ্য যোগান ধৰাৰ ব্যৱস্থা কৰিব। দুৰ্ভিক্ষ অৱস্থাৰ পৰা উদ্ধাৰ কৰাৰ কাৰণে ভালদৰে চকু দিবলৈ এজন সুদক্ষ অফিচাৰ ৰাখিব। মই এম, এল, এ হোৱাৰ পাচত তুবাৰ যোগান বিভাগলৈ গৈছিলো শ্ব-মিলৰ কথা-বতৰা পতা সম্পৰ্কত। তেখেতে

যিটো বৰ্ণনা দিলে তাৰপৰা দেখিলো কাম একো নহব গতিকে সুদক্ষ মানুহ যোগান বিভাগত ৰাখিব লাগে। শ্ৰীভৰত নৰহ ডাঙৰীয়াই ঠিকেই কৈছে দুই বছৰৰ ভিতৰত যদি কোনোবাই ভাল কাম কৰিছে তেন্তে তাক প্ৰশংসা কৰিছো। আৰু বেয়া কাম কৰিলে তাৰ বিৰোধীতা কৰিম। গতিকে যোগান বিভাগে দুৰ্ভীক্ষৰ পৰা মুক্ত কৰি খাদ্য সামগ্ৰী যোগান ধৰা ব্যৱস্থা কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীনীলমণি দাস :—অধ্যক্ষ মহোদয়, আজি উত্থাপিত বিষয়টোৰ বাবে মাননীয় সদস্য দেবেশ্বৰ বৰা ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। ইতিমধ্যে বিষয়টোৰ ওপৰত কেইবাগৰাকীও মাননীয় সদস্যই অংশগ্ৰহন কৰিছে আৰু এই তেওঁলোকৰ মতামত ব্যক্ত কৰিছে। মূল্য বৃদ্ধি সমস্যা এটা বিশেষ সমস্যা। আৰু এই সমস্যাটোকে লৈ প্ৰতি বছৰে তৰ্ক-বিতৰ্ক হয়। মূল্য বৃদ্ধি সমস্যাটোৰ বহু অংশ বাতৰি কাকতত প্ৰকাশ হয়। এই সমস্যাটো আলোচনা-বিলোচনা হয় যদিও, প্ৰকৃতপক্ষে ৰোধ কৰিব পৰা নাই। চৰকাৰ যিয়েই নাথাকক, অ গ প চৰকাৰেই হওক বা কংগ্ৰেছ চৰকাৰেই হওক কিয় কোনো চৰকাৰেই এতিয়ালৈকে মূল্য বৃদ্ধি ৰোধ কৰিব পৰা নাই। আৰু সোনকালে যে নিয়ন্ত্ৰণ কৰিব পাৰিব তাৰ মোৰ ধাৰণা নহয়। মই অৱশ্যে মূল্য প্ৰতিৰোধ ব্যৱস্থা লব নালাগে বুলি নকওঁ। অকল চৰকাৰক সমালোচনা কৰি থাকিলে নহয়। আমি কেইটামান বিশেষ দৃষ্টিলৈ লক্ষ্য ৰাখিব লাগিব। এতিয়া কথা হ'ল অসমৰ মানুহে কি খায়? ভাত খায়, চাউল খায়। ইমান এটা বানপানী হোৱাৰ পাচত দাইল, তেলৰ দাম বাঢ়িছে এইটো এটা কৃত্ৰিম নাটনি। ব্যৱসায়ীসকলে কৃত্ৰিম নাটনি সৃষ্টি কৰি কিছুমান ঠাইত দাম উঠাই দিছে। চৰকাৰে ৰাজহুৱা বিতৰণৰ বাবে ষ্টেটফেডৰ জৰিয়তে দায়িত্ব পালন কৰিলে বস্তুৰ দাম কমিব। অন্ধ্ৰ প্ৰদেশৰ এন, টি, ৰামাৰাওৰ আগবঢ়োৱা সাহায্যৰ বাবে তেখেতক কৃতজ্ঞতা জ্ঞাপন কৰিছো। অসাধু ব্যৱসায়ে কৃত্ৰিম নাটনি সৃষ্টি কৰা কাৰণে মূল্য বৃদ্ধি হৈছে। অসম গণ পৰিষদ চৰকাৰে কটকটীয়া ব্যৱস্থা লৈ বস্তুৰ দাম নমাই আনিব বুলি আশা কৰিলো। অসাধু ব্যৱসায়ীসকলে বস্তুৰ দাম বঢ়োৱাৰ সময়ত প্ৰশাসন যন্ত্ৰ বান সাহায্য কামত ব্যস্ত হৈছিল। তেওঁলোকৰ ওপৰত নিয়ন্ত্ৰণ ব্যৱস্থা কৰিব পৰা নাছিল। এতিয়া

* Speech not corrected.

নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হব বুলি আশা কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, বস্তুৰ দাম নবঢ়োৱাকৈও বস্তুৰ দাম বঢ়াব পৰা যায়। সেইকাৰণেই মই কৈছো, ব্যাপক হাৰত 'হৰাৰ্ডিং অপাৰেশ্বন' চলাব লাগে। ফাটী বজাৰৰ নিচিনা ব্যৱসায় সকলো জেগাতে চলি আছে। সেই বিলাক ঠাইতো 'ষ্টক ভেৰিফিকেশ্বন' কৰিব লাগে, হৰাৰ্ডিং অপাৰেশ্বন চলাব লাগে। তাকে কৰিব পাৰিলেহে বস্ত-বস্তুৰ দাস বাজেটৰ লেভেললৈ কমাব পাৰিব বুলি আশা কৰিব পাৰি। এইখিনিকৈ মই মোৰ বক্তৃতা সামৰিছো।

*শ্ৰীজয়নাল আবেদিন :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদেবেশ্বৰ বৰা ডাঙৰীয়াই বৰ্ত্তমান অসমত খাদ্য সামগ্ৰীৰ যিদৰে মূল্য বৃদ্ধি হৈছে তাৰ প্ৰতিকাৰৰ বাবে চৰকাৰে কলা বেপাৰীৰ ওপৰত বিধিগতভাৱে ব্যৱস্থা লোৱাৰ সম্পৰ্কত যি এটা প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ সমৰ্থন কৰি কেইটামান কথা কব খুজিছো।

মাননীয় অধ্যক্ষ মহোদয়, অসমৰ সকলো ঠাইতে মূল্য বৃদ্ধি হৈছে, সকলো নিত্য প্ৰয়োজনীয় বয়বস্তুৰে মূল্য বাঢ়িছে। এই মূল্য বৃদ্ধিক কোনো প্ৰকাৰে ৰোধ কৰিব পৰা হোৱা নাই। এই মূল্য বৃদ্ধি কেৱল অসমতে নহয়, ভাৰতবৰ্ষ তথা সমগ্ৰ পূজিবাদী দেশবোৰতে নিত্য প্ৰয়োজনীয় বয় বস্তুৰ মূল্য বৃদ্ধি হৈছে। কিন্তু কেৱল দেখা গৈছে যে, সমাজতান্ত্ৰিক দেশবোৰতহে মূল্য বৃদ্ধি ৰোধ কৰিবলৈ সম্ভৱপৰ হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, এই মূল্য বৃদ্ধিৰ হোৱাৰ অৰ্থ এইটোৱেই নহয় যে, ভাৰতবৰ্ষত যিহেতু পূজিবাদী অৰ্থনীতি চলি আছে গতিকে ইয়াত মূল্য বৃদ্ধি হবই আৰু ৰাইজে তাক মুৰ দোৱাই বিনা দ্বিধাই, বিনা প্ৰতিবাদে মানি লব। ইয়াত যে, চৰকাৰৰ ফালৰ পৰা কৰণীয় একো নাই সেইটো নহয়। মূল্য বৃদ্ধিৰ আচল কাৰণবোৰ নিৰ্ণয় কৰিব পাৰিলে তাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিলে পূজিবাদী অৰ্থনীতিৰ মাজতো কিছু পৰিমাণে হলেও ৰাইজক সকাহ দিয়াব ব্যৱস্থা কৰিব পৰা হব। মূল্য বৃদ্ধি হোৱাৰ কাৰণ যি বিলাক আছে তাৰ ভিতৰত মূল কাৰণ দুটা আছে। প্ৰয়োজনৰ তুলনাত উৎপাদন কম হলেও মূল্য বৃদ্ধি হব পাৰে দ্বিতীয়ত, উৎপাদিত বস্তুৰ সমবিতৰণৰ অভাৱ কাৰণেও এই মূল্য বৃদ্ধি হব পাৰে। লাগিলে এই সমবিতৰণ পৰিবহনৰ বিজুটিৰ কাৰণেই

---

* Speech not corrected.

হওঁক বা অন্য কাৰণেই হওঁক। দেখা যায় যে, মুনাফাখোৰ ব্যৱসায়ী সকলেই এনে বিলাক পৰিস্থিতিৰ সুযোগ লৈ মূল্যবৃদ্ধি ঘটায়। এতিয়া আমাৰ বিচাৰ্য্যৰ বিষয় হৈছে, এই মূল্য বৃদ্ধি কি কাৰণত হৈছে? কৃতিম অনাতনেই এই মূল্য বৃদ্ধিৰ মূল কাৰণ আৰু উৎপাদিত সামগ্ৰীৰ সম বিতৰণৰ অভাৱ। আমাৰ মাননীয় সদস্য বন্ধুবৰ শ্ৰীহেমেন দাস ডাঙৰীয়াই কৈছে যে, পাইকাৰী ব্যৱসায়ৰ ৰাষ্টীয় কৰণ হলেই এই মূল্য বৃদ্ধি কমিব। ১৯৬৭ চনত পশ্চিম বঙ্গত হোৱা ভয়ানক খাদ্য সংকটৰ সময়ত পি, টি, সেন তেতিয়া মূখ্য মন্ত্ৰী আছিল। সকলো বামপন্থী দলে লগ লাগি আন্দোলন কৰিছিল। সেই অন্দোলনৰ ফলত গুলিচালনাত বহুত মানুহ মৃত্যুৰ মুখত পৰিছিল যাৰ ফলত সেই চৰকাৰৰো পতন ঘটিছিল। তেতিয়া এচ, ইউ, চি, আইয়ে এই দাবী উৎথাপন কৰিছিল যে, মূল্য বৃদ্ধি ৰোধ কৰিবৰ কাৰণে অত্যাৱশ্যকীয় বয় বস্তুৰ পাইকাৰী আৰু খুচুৰা দুয়োটা ব্যৱসায়েই চৰকাৰে নিজৰ হাতলৈ আনিব লাগিব। চৰকাৰ তেতিয়া মান্তি হোৱা নাছিল। তেতিয়া পূজিবাদী অৰ্থনীতিৰ পৃষ্ঠপোষকতা কৰা দল সমূহৰ লগত চি, পি, এম দলেও ইয়াৰ ঘোৰ বিৰোধীতা কৰিছিল এই কাৰণেই যে, এইটো আচৰিত কথা। কিন্তু আজি সেই দলৰে শ্ৰীদাস ডাঙৰীয়াই এইটো সমৰ্থন কৰাৰ কাৰণে আমাৰ মাননীয় অধ্যক্ষ মহোদয়, বয় বস্তুৰ মূল্য কমাবৰ কাৰণে অত্যাৱশ্যকীয় সকলো বস্তুৰে 'ষ্টেট ট্ৰেডিং' চৰকাৰে নিজৰ হাতলৈ আনিব লাগে। বয় বস্তুৰ সৰ্ব্বাত্মক বাণিজ্য চৰকাৰে নিজৰ হাতলৈ আনিব লাগিব। এইটো অসম্ভৱ কথা নহয়। মাননীয় অধ্যক্ষ মহোদয়, এনে এটা দিন অৱিলম্বেই ভাৰতবৰ্ষত আহিব। দেশত এনে এটা দিন আহিব যেতিয়া সকলোবোৰ বামপন্থী দলেই এই দাবী উৎথাপন কৰিব। ইয়াৰ বাহিৰে অন্য কোনো ৰাস্তা আমাৰ সন্মুখত নাই। কোনো কাৰ্য্যকৰী শাখা নাই।

অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যিক চৰকাৰে কিছুমান বস্তুৰ মূল্য বান্ধি দিছে।

সিদিনা মই ধুবুৰীলৈ গৈছিলো, তাত গৈ দেখি আহিছো ধুবুৰী জিলা খন এখন অতি পিচপৰা অঞ্চল আৰু ধুবুৰী এটা দুৰ্ভীক্ষ পীড়িত অঞ্চল। তাত মানুহে অনাহাৰত মৰিব লগীয়া হৈছে। আমি দেখিছো জিলা উপায়ুক্তই আটা আৰু চাউলৰ দাম বান্ধি দিছে কিন্তু ৰাইজৰ পৰা অভিযোগ আহিছে যে ডি চিয়ে বান্ধি দিয়া মতে বজাৰত আমি সেই দামত বস্তু পাবলৈ নাই।

ধুবুৰী বজাৰত কিন্তু বস্তু পোৱা যাব যদি কেচ মেমো দিব নালাগে আৰু চৰকাৰে বান্ধি দিয়া দৰতকৈ যদি বেচি দাম দিয়ে যতে ততে বস্তু পাব কিন্তু চৰকাৰে বান্ধি দিয়ানতে বস্তু বজাৰত পাবলৈ নাই। ইনচিষ্ট কৰিলে বস্তু উলিয়াই দিব কিন্তু তাকো চৰকাৰে বান্ধি দিয়া ৰেটতকৈ বেচি দাম দিব লাগিব। আজি বস্তু উৎপাদনৰ পৰা আৰম্ভ কৰি বিতৰণ কৰা লৈকে অৰ্থাৎ পোক্রিয়ৰমেণ্ট আৰু ডিষ্ট্ৰিবিউশ্যন এই দুয়োটাকে চৰকাৰে নিয়ন্ত্ৰন কৰিব পাৰিলেহে মূল্য বৃদ্ধিৰ ক্ষেত্ৰত চৰকাৰে কিছু কণ্ট্ৰোল কৰিব পাৰিব। এই ব্যৱস্থা যদি আমি কৰিব নোৱাৰো তেতিয়াহলে মূল্য বৃদ্ধি কৰাৰ ক্ষেত্ৰত আমি কোনো উপায় উলিয়াব নোৱাৰিম। অধ্যক্ষ মহোদয়, মই পৰামৰ্শ দিব বিচাৰিছো যদি তেওঁলোকে প্ৰকৃততে মূল্য বৃদ্ধি কৰিব বিচাৰিছে তেতিয়াহলে চৰকাৰে প্ৰকিয়ৰমেণ্ট আৰু দিষ্ট্ৰিবিউশ্চনৰ ওপৰত সৰ্ব্বাত্মক নিয়ন্ত্ৰন ৰাখিব পাৰিব লাগিব তেতিয়াহে এই প্ৰক্ৰীয়াটো সম্ভৱপৰ হব। এইখিনিকে কৈ আপোনাক ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীভবেন নাৰ্জী :— মাননীয় অধক্ষ্য মহোদয়, অধিক উৎপাদন আৰু বিতৰণৰ কথা আজি সদনত আলোচনা হৈছে। এই ক্ষেত্ৰত আমি লগতে জনসংখ্যাৰ কথাও চাব লাগিব। এই গোটেই বিলাক কথা বিশ্লেষণ কৰি চাবলৈ গলে বহুতো সময় লব। শিল্প উদ্যোগৰ যোগেদি যেতিয়ালৈকে আমি বস্তু উৎপাদন কৰিব নোৱাৰিম তেতিয়ালৈকে অসমত সুলভ মূল্যত বস্তু যোগান ধৰিব পৰা নহব। আমাৰ উৎপাদন কম। গতিকে উৎপাদন কম যেতিয়া খাবলৈ নাপায়। আজি ২ পইচা চাউলৰ দাম হ'ল, যদি আপোনাৰ দুপইচাও নাথাকে তেনেহলে আপুনি কব পৰা চাউল কিনি খাব? ফলত গোটেই পৰিস্থিতিটোৱেই আমি চাব লাগিব। আমি কৃষিৰ উন্নতি কৰিব লাগিলে বা শিল্পউদ্যোগৰ উন্নতি কৰিব লাগিলে গোটেই বিষয়টোৱেই চালি-জাৰি চাব লগা হয়। যেনে এজন খেতিয়কক যদি গৰু এহাল দিয়া হয় লগত সাৰ পানী যোগান ইত্যাদি বহুত বস্তু দিব লাগে। ইয়াৰ উপৰিও বতৰৰ কথা আছেই। সেই মানুহজনে বেংকৰ পৰা লোণ লৈ খেতি কৰে যদিও তাৰো সুদৰ কথা আছে। ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ পূজিবাদী দেশ নহয়। একমোণ ধানৰ দাম বা এক কুইণ্টল ধানৰ দাম কিমান হব সেইবোৰ কথা বিবেচনা কৰি চৰকাৰে ৰেট বান্ধি দিয়ে। ৰেট বান্ধি দিয়াৰ পিচত চৰকাৰে সেই ধানবোৰ সংগ্ৰহ কৰে। তেতিয়া সেই ধানবোৰ আমি কিনি খাব লগীয়া

* Speech not corrected.

হয়। এই ধানবোৰ সংগ্ৰহ কৰোতে যানবাহন ইত্যাদিৰ খৰচ আছে, পৰিশ্ৰমৰ খৰচ আছে তাৰোপৰি কলাবেপাৰী আৰু চোৰাং বেপাৰীয়ে খাওঁ খাওঁ কৰি আছে। প্ৰায় তিনি ডোখৰ মান ঠাই বগৰাব পিচতহে বস্তুবোৰ আমাৰ হাতত আহি পৰে। সেয়েহে আমি বস্তুবিলাক কিনোতে অধিক দাম দি কিনিব লগীয়া হয়। আমাৰ লৰা বিলাকৰ শিল্প উদ্যোগৰ প্ৰতি মনোযোগ নাই। শিল্পউদ্যোগৰ জৰীয়তে যাতে আমি অধিক উৎপাদন কৰিব পাৰো তাৰ ওপৰত অধিক জোৰ দিব লাগে। আমাৰ আগতে খেতি কৰিছিল। বৃটিছৰ বিৰুদ্ধে আন্দোলন কৰাৰ সময়তো আমাৰ লৰা-ছোৱালীয়ে খেতি কৰিছিল। কিন্তু আজিকালি লৰা-ছোৱালীয়ে খেতি নকৰা হৈছে কেৱল চাকৰী মুখী হৈছে। কেৱল দৰ্ম্মহাটো লৈ ক্ৰয় কৰিব বিচাৰে কিন্তু উৎপাদন কৰিব নিবিচাৰে। আজি খেতিয়ক সকলৰ অৱস্থা চাৰ, এজন পাঠশালা স্কুলৰ শিক্ষকৰ জীৱন ধাৰণৰ মানদণ্ডতকৈয়ো এই খেতিয়ক সকলৰ অৱস্থা নিম্নতম। এজন খেতিয়কৰ এহাল গৰু আছে নে নাই সন্দেহ। খেৰৰ ঘৰ, খেৰবো বহুত দাম হৈছে, গৰু কিনিবলৈও সম্বল নাই। অৰ্থনৈতিক আকালে অসমক এনেকৈ জুৰুলা কৰি থৈ গৈছে। অকল আজিয়েই নহয় আজিৰ পৰা ৪০ বছৰ আগৰে পৰাই এনে ধৰণে চলি আছে। গতিকে আজি এই দুবছৰৰ ভিতৰতে মেজিকৰ দৰে কাম কৰাতো সম্ভৱপৰ নহয় কিন্তু আমি যি দেখিছো নতুন চৰকাৰে কাম কৰি গৈ আছে, পৰ্য্যায়ক্ৰমে কৰি গৈছে। আজি আমাৰ অসমত আমাৰ উৎপাদানৰে মাত্ৰ ৮ মাহে ধান খাব পাৰো বাকীখিনি বাহিৰৰ পৰা নানিলে উপায় নাই। কবলৈ বহুত থাকিল যদিও সময় কম হোৱাৰ কাৰণে এই খিনিকে কৈ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ :— এই বিষয়টোৰ ওপৰত মাননীয় সদস্য সকলে ১১.৪ মিনিটলৈ কব পাৰিব আৰু তাৰ পাচত মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব। এতিয়া আৰু এজন সদস্য আছে, দেব কুমাৰ বৰা।

* শ্ৰীদেবকুমাৰ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য দেবেশ্বৰ বৰা ডাঙৰীয়াই যি আলোচনা উত্থাপন কৰিছে এই আলোচনাতো অসমৰ বাইজৰ এটা প্ৰধান সমস্যা, এই সমস্যাটোৰ ওপৰত তেখেতে যি আলোচনা দাঙি ধৰিছে তাত অংশ গ্ৰহণ কৰি মইয়ো ২।১টা কথা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আৰু তাৰ লগতে ২।১টা পৰামৰ্শ ডাঙি ধৰিব বিচাৰিছো। য'ত নেকি অদূৰ ভৱিষ্যতে অসমৰ বাইজৰ স্বাৰ্থত যোগান বিভাগৰ পুৰণি-

---

* Speech not corrected.

কলিয়া এলান্ধু পবিবেশ আছিল, সেই পৰিবেশ নাইকিয়া কৰি এটা নতুন পৰিবেশ আনি আমি অসমব বাইজব বিশেষকৈ দুৰ্ব্বল শ্ৰেণী ৰাইজৰ উপকাব সাধন কৰিব পাৰো তেনে এক ব্যৱস্থাৰ কাৰণে আমি আজি যোগান মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, খাদ্য সমস্যা, মূল্য বৃদ্ধি এই বিষয়টো ভাৰতবৰ্ষত সংসদৰ পৰা ৰাজ্য সমূহব সকলো বিধান সভাত এক আলোচনাব মাজত আবদ্ধ কৰি ৰখাৰ বাবে বোধহয় একো এটা মূল্যায়ন হোৱা নাই। মূল্যায়ন হৈছে কিন্তু তাৰ ওপৰত একো ব্যৱস্থা লোৱা হোৱা নাই। মই বাতৰি কাকতত পঢ়িছো, চীন দেশত ১৯৪৮ চনৰ পৰা এতিয়ালৈকে খাদ্য সামগ্ৰীৰ মূল্য একে আছে। ভাৰতীয় মূল্য দুটকা কিলোত চাউল ১৯৪৮ চনৰে পৰা তাত চলি আছে। এইটো মই এটা বাতৰিত পঢ়িছো। কিন্তু অতি দুখৰ বিষয় সেইদৰে সেইধৰণৰ মূল্য পৰিস্থিতিৰ স্থিৰতা যিটো সেই স্থিৰতা ভাৰতবৰ্ষত কোনো ৰাজ্যত ইতিমধ্যে নাই। কিন্তু তাৰ লগতে মই অনুৰোধ কৰিব বিচাৰিছো, ১৯৪৮ চনৰ পৰাই যদি বিশ্বব এখন দেশত মূল্য বৃদ্ধি ৰোধ কৰাৰ কাৰণে কঠোব ব্যৱস্থা লব পাৰে তেনেহলে কি কাৰণত ভাৰতবৰ্ষই লব নোৱাৰিব, কি কাৰণত অসমত লব নোৱাৰিব? অৱশ্যে এটা হাস্যকব কথা, ১৯৪৮ চনৰ পৰাই অসমত অসম চৰকাৰে প্ৰাথমিক স্কুলৰ লৰা-ছোৱালীক বৃত্তি দিয়াৰ যিটো ৰেট ৫ টকা আছিল ১৯৮৭ চনলৈকে সেই ৫ টকা ৰেটতে ৰাখিলে। মাত্ৰ ১৯৭৭ চনত বৰ্ত্তমান চৰকাৰে ৫ টকাৰ ঠাইত ১৫ টকাকৈ এই এল, পি, স্কুলৰ বৃত্তিটো বঢ়োৱাৰ কাৰণে ছাত্ৰ-ছাত্ৰী সকল উপকৃত হৈছে। এতিয়া কথা হ'ল কংগ্ৰেছ চৰকাৰে ছাত্ৰ-ছাত্ৰী সকলৰ বৃত্তিটো ১৯৪৮ চনৰ পৰা ১৯৭৮ চনলৈকে কোনো বৰ্দ্ধিতকৰণ নকৰি মনে মনে থাকি নিৰবে সহ্য কৰি থাকিল কিন্তু আন হাতেদি তাৰ বিপৰীত প্ৰক্ৰীয়া কিছু পৰম্পৰাগত ভাৱে চলি থাকিল আৰু খাদ্যদ্ৰব্যৰ মূল্য বৃদ্ধি হয়েই থাকিল। এই বিষয় বিলাকৰ ক্ষেত্ৰত সোলোক ঢোলোক প্ৰশাসনীয় ব্যৱস্থা হোৱাৰ কাৰণে আমাৰ দেশৰ মানুহৰ অৱস্থা আলাই আথানি আৰু কুলাই পাচিয়ে নধৰা হৈছে। সেয়েহে মাননীয় যোগান মন্ত্ৰী ডাঙৰীয়াই লব লগীয়া ব্যৱস্থা খিনি ইতিমধ্যে লৈছে নে নাই আমি জানিব বিচাৰিছো। এই ক্ষেত্ৰত কেৱল ব্যৱস্থা লোৱা বুলি উত্তৰ দিলেই সমস্যা সমাধান নহব আমি বিচাৰো এই ব্যৱস্থাৰ দ্বাৰা যাতে উদ্দেশ্য ফল দায়ক হয়। এই ক্ষেত্ৰত ধানৰ দাম ১৫৮ টকা স্থিৰ কৰা হৈছে। প্ৰতি কুইন্টল ধানৰ দাম ১৫৮ টকা ধাৰ্য্য কৰা হৈছে।

এই ক্ষেত্ৰত এই ব্যৱস্থা লোৱা হৈছে। কিন্তু ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত কোনো উপকৃত হোৱা নাই। কোনো খেতিয়কে ১৫৮ টকাত ধান বিক্ৰী কৰিবলৈ নাহে বৰ্তমান প্ৰতি কুইন্টলত ৩৮০-৪০০ টকালৈকে বাঢ়িছে। অহা বছৰত আৰু বাঢ়িব। কিয়নো গোটেই ভাৰতবৰ্ষত খৰাং পৰিস্থিতি হৈছে আৰু অসমৰ বানপানীৰ কাৰণেও আমাৰ ৰাজ্যৰ খাদ্য সামগ্ৰীৰ উৎপাদন কমিব। তেনে এক বিপৰ্যয়ৰ ফালে আমি আগবাঢ়ি গৈ আছো। সেই কাৰণে আজিৰ এই আলোচনাটোৰ যথেষ্ট গুৰুত্ব আছে। অকল আজিৰ কাৰণেই নহয় আহিব-লগীয়া বছৰটোৰ কাৰণেও যথেষ্ট গুৰুত্বপূৰ্ণ। কি ধৰণে এই পৰিস্থিতিৰ আমি সন্মুখীন হব পাৰো আৰু সেই ক্ষেত্ৰত যোগান বিভাগৰ যাতে সহায় হয় আৰু সেই কাৰণেই আজি এই আলোচনাৰ যোগেদি যোগান বিভাগক বিভিন্ন দিশ আঙুলিয়াই দিবলৈ বিষয়টো আলোচনা কৰা হৈছে।

মাননীয় অধ্যক্ষ :— আঢ়ৈ ঘণ্টাত আলোচনাটো শেষ কৰিব লাগিব। মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিওঁতে আধা ঘণ্টা সময় লব।

ভাৰতবৰ্ষত যি ৰাফাৰ ষ্টক চিচ্‌টেম আছে সেইটো ১৯৬৭ চনত যেতিয়া দুৰ্ভিক্ষ হৈছিল, সেই সময়ত এই ব্যৱস্থাটো অনা হ'ল। আৰু ভাৰতীয় খাদ্য নিগমক ইয়াৰ একচেতীয়া ব্যৱসায় দিয়া হ'ল। মই কৈছো যে, অসমৰ ক্ষেত্ৰত কমি-উনিকেচনটো অতি বেয়া আৰু আমাৰ ৰাজ্যখন একাষৰীয়া ৰাজ্য আৰু অইন ৰাজ্যৰ পৰা বস্তু-বাহানী অনা-নিয়াৰ কাৰণে ট্ৰেন্সপোৰ্টৰ কষ্ট বেচি হৈ যায়। সেই কাৰণে এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত নতুনকৈ বুজাপৰা হব লাগে যাতে আমাৰ ৰাজ্যৰ খাদ্য সামগ্ৰীখিনি মজুত কৰি ৰাখিব পাৰো। তাৰ কাৰণে প্ৰক্রিওৰমেণ্টৰ নতুন ব্যৱস্থা লব লাগে। আৰু আমাৰ ৰাজ্যৰ খাদ্য সামগ্ৰীখিনি প্ৰক্রিওৰমেণ্ট কৰাৰ বেলিকা কেন্দ্ৰীয় চৰকাৰৰ যিবিলাক নীতি আৰু ৰেষ্ট্ৰিকচন আৰু ট্ৰেন্সপোৰ্টৰ যিবিলাক নীতি নিয়ম আমাৰ ৰাজ্যখন দূৰণিৰটীয়া হোৱাৰ কাৰণে সেইটো আমাৰ ৰাজ্যৰ ক্ষেত্ৰত ৰেহাই দিব লাগে। বজাৰত যেতিয়া ধানৰ মূল্য কম চলি থাকে তেতিয়াই সেই কম মূল্যত ধান সংগ্ৰহ কৰিব লাগে আৰু খাদ্য সামগ্ৰী সংগ্ৰহ কৰিব লাগে। আৰু যেতিয়া বজাৰত ধানৰ মূল্য বাঢ়ি যাব আৰু খাদ্য সামগ্ৰীৰ মূল্য বাঢ়ি যাব তেতিয়া বেচি মূল্য হলেও আমি যাতে কম মূল্যত যোগান ধৰিব পাৰো সেইটো ব্যৱস্থা কৰিব লাগে। এই ব্যৱস্থা নললে খাদ্য সামগ্ৰীৰ উৰ্দ্ধ মূল্যৰ গতি ৰোধ কৰিব নোৱাৰিব। ইয়াৰ লগে লগে কণ্ট্ৰোলৰ ক্ষেত্ৰত কেৱল আলো-

চনাহে কৰা হৈছে। এই বিষয়তো নিয়ন্ত্রণ কৰিবলৈ পাৰাৰ দিয়া হোৱা নাই। আমাৰ এই মূল্যবৃদ্ধি আৰু খাদ্য সামগ্ৰীৰ বজাৰ দৰৰ নিয়ন্ত্রণৰ ক্ষেত্ৰত গাওঁ পঞ্চায়ত এলেকা বা যিবিলাক ফেয়াৰ প্ৰাইচৰ কাৰ্ড হোল্ডাৰ আছে অৰ্থাৎ যি সকল কনজিউমাৰ সেই সকলক প্ৰতিনিধিস্থ কৰিবলৈ দিব লাগে। যেতিয়া খাদ্য দ্ৰব্যৰ মূল্য বৃদ্ধি হয় তেতিয়া সেই কথাবিলাক চালি জাৰি চাবৰ কাৰণে এই লোকসকলৰ জৰিয়তে বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা হব। ইয়াৰ কাৰণে একাডেমিক লাইনৰ মানুহৰ কোনো প্ৰয়োজন নাই। কনজিউমাৰ সকলক প্ৰতিনিধি হিচাবে ললে মূল্য বৃদ্ধিৰ ক্ষেত্ৰত হোৱা আসোৱাহ বিলাক তেওঁলোকে আঙুলিয়াই দিব পাৰিব।

মাননীয় অধ্যক্ষ: (সময়ৰ সংকেত)। এতিয়া যোগান বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিব।

* শ্ৰীবিৰাজ কুমাৰ শৰ্ম্মা (মন্ত্ৰী):—মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মাননীয় সদস্য শ্ৰীদেব কুমাৰ বৰা ডাঙৰীয়াই মূল্য বৃদ্ধি সম্পৰ্কত যিটো কথা উত্থাপন কৰিছে আৰু আমাৰ গণ পৰিষদ চৰকাৰৰ মাননীয় সদস্যসকলে আৰু বিৰোধী পক্ষৰ সদস্যসকলে এই আলোচনা ভাগ লৈছে, ইয়াৰ লগতে তেখেতসকলে যিখিনি পৰামৰ্শ আগবঢ়ালে আৰু আলোচনা কৰিলে তাৰ কাৰণে তেখেতসকলক ধন্যবাদ জনাইছো। আমাৰ বৰ্ত্তমান কাৰ্য্যপন্থা কেনেভাবে লোৱা হৈছে আৰু বানপানীৰ সময়ত কেনে ধৰণে ব্যৱস্থা লোৱা হৈছিল সেই বিষয়ে মই জনাম।

অধ্যক্ষ মহোদয়, আজি অলপ দিন ধৰি সমগ্ৰ ভাৰতবৰ্ষতে প্ৰায়বোৰ সামগ্ৰীৰ মূল্য বৃদ্ধি হৈছে। বিশেষকৈ অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ মূল্য বৃদ্ধি হোৱাৰ ফলত সকলো শ্ৰেণীৰ মানুহ অৰ্থনৈতিক দিশত কষ্ট হৈছে। আমাৰ ৰাজ্যখনো ইয়াৰ ব্যতিক্ৰম নহয়। এইবাৰ আমাৰ ৰাজ্যৰ ওপৰত আহি পৰিল উপৰ্যুপৰি ৫টা বানপানী। এই পৰিস্থিতিয়ে মূল্য বৃদ্ধিত ইন্ধন যোগালে।

সামগ্ৰীকভাৱে মূল্য বৃদ্ধি সৰ্ব্ব ভাৰতীয় পৰ্য্যায়ত হৈছে আৰু ইয়াৰ লগত দেশৰ অৰ্থ নৈতিক আৰু বিত্তীয় নীতি জৰিত আছে। কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় নীতিয়ে বজাৰত সামগ্ৰীৰ মূল্যৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। দেশৰ উন্নয়ণৰ হাৰ বৃদ্ধিৰ লগত মূদ্ৰাস্ফিতি জৰিত আছে। মূদ্ৰাস্ফিতিৰ ফলত সামগ্ৰীৰ মূল্য

* Speech not corrected.

বৃদ্ধি হোৱাটো পৰিলক্ষিত হয়। সেই কাৰণে মূল্য মানৱ স্থিতাৱস্থা অব্যাহত ৰখাটো বিত্তীয় নীতিৰ এক মূল উদ্দেশ্য হোৱা উচিত। আমাৰ দেশৰ জটিল অৰ্থ নৈতিক পৰিস্থিতিত মূল্যমানৰ স্থিতাৱস্থা ব্যাঘাট হোৱা স্বাভাৱিক।

১৯৮২ চনত ৰিজাৰ্ভ বেঙ্ক অব ইণ্ডিয়াই গঠন কৰা শ্ৰীসুখময় চক্ৰবৰ্ত্তী কমিটিৰ প্ৰতিবেদন মতে পাইকাৰী মূল্য সূচী বাৰ্ষিক শতকৰা ৪ ভাগতকৈ অধিক বৃদ্ধি হবলৈ নিদিয়াটো অৰ্থ নৈতিক আৰু বিত্তীয় নীতিৰ লক্ষ্য হোৱা উচিত। এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰেহে আৱশ্যকীয় ব্যৱস্থা লব পাৰে। ইয়াত ৰাজ্য চৰকাৰৰ ভূমিকা গৌণ। তথাপি এই সীমিত পৰিধিৰ ভিতৰত আমাৰ ৰাজ্য চৰকাৰে ৰাজ্যিক ও জিলা পৰ্য্যায়ত মূল্য বৃদ্ধি ৰোধ কৰিবলৈ সকলো ধৰণৰ ব্যৱস্থা হাতত লৈছে। ব্যৱসায়ী মহলৰ সহায় সহযোগ লোৱাৰ উপৰিও মজুতকাৰী, লাভখোৰ, কলাবেপাৰী আৰু অসৎ ব্যৱসায়ীৰ বিৰুদ্ধে যথোচিত ব্যৱস্থা লোৱা হৈছে। ইয়াৰ উপৰিও খাদ্য সামগ্ৰীৰ ব্যৱসায়ৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ একমাত্ৰ এজেন্সি ষ্টেটফেডৰ যোগেদি কম দামত মিঠাতেল, মচুৰ দাইল আদি সামগ্ৰী গ্ৰাহকক যোগান ধৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত যথেষ্ট বস্তু উৎপাদন হৈছিল। কিন্তু ক্ৰমাগত ভাবে এই উৎপাদন কমি আহিছে। এইক্ষেত্ৰত চাউল মাত্ৰ ৭ মাহৰ কাৰণেহে উৎপাদন কৰিব লাগে। প্ৰায় ১৬ শ মেট্ৰিক টন চাউল অসমৰ বাহিৰৰপৰা আনিব লাগে। ঠিক তেনেদৰে মিঠাতেল, মাত্ৰ ৩ মাহৰ কাৰণে পাব পাৰি। বাকী ৯ মাহৰ কাৰণে মিঠাতেল অসমৰ বাহিৰৰপৰা আনিব লাগে। অসমত মাটিমাহৰ বাহিৰে কোনো বিধ উৎপন্ন নহয়। মচুৰ দাইল, ৰহৰ দাইল আদি ইয়াত উৎপন্ন নহয়। কেৱল মাটি দাইল ইয়াত উৎপন্ন হয়। অসমত মাটি দাইলতকৈ মচুৰ দাইলৰহে প্ৰয়োজন বেছি। এইক্ষেত্ৰত খাদ্য সামগ্ৰীবিলাক অসমৰ বাহিৰৰপৰা আনিব লগা হয়। ঠিক তেনেদৰে নিমখ উত্তৰ ভাৰতৰ পৰা আনিব লগা হয়। নিমখ কেৱল ৩ খন ৰাজ্যতহে উৎপন্ন হয়। গতিকে প্ৰতিখন ৰাজ্যই সেই ঠাইবিলাকৰ পৰা আনিব লগা হয়। চেনী ষ্টেটফেড আৰু সুলভ মূল্যৰ দোকানৰ জৰীয়তে চৰকাৰৰ ফালৰ পৰা যোগান ধৰা হয়। আমাৰ ইয়াত ২ টা চেনীকল আছে যদিও বাহিৰৰপৰা চেনী আনিব লগা হয়।

আমাৰ ৰাজ্যখনত উৎপাদিত খাদ্য সামগ্ৰীয়ে ৰাজ্যখনৰ চাহিদা পূৰণ কৰিব নোৱাৰে। প্ৰায় ভাৰতৰ অন্যান্য ৰাজ্যৰ ওপৰত নিৰ্ভৰশীল। চলিত

বহুবত অসম তথা পশ্চিমবঙ্গ, বিহাৰ, উত্তৰ প্ৰদেশ ৰাজ্যত অভূতপূৰ্ব্ব বান-পানী হোৱাৰ উপৰিও অন্য ৰাজ্যত খৰাং ৰতৰৰ বাবে অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগানত যথেষ্ট ব্যাঘাট হৈছিল। প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে ৰেল আৰু স্থল পথৰ যোগাযোগ বিচিন্ন হৈছিল। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আমাৰ ৰাজ্যত দুই এদিন অত্যাৱশ্যকীয় সামগ্ৰীৰ সাময়িক অনাটন আৰু মূল্য বৃদ্ধি হোৱাটো নুই কৰিব নোৱাৰি।

বানপানীৰ ফলত ৰেলপথ ও স্থলপথৰ বিস্তৰ ক্ষতি হ'ল। বিশেষকৈ অসমৰ লগত ভাৰতৰ বাকী অংশৰ স্থলপথ আৰু ৰেল পথেৰে থকা যোগা-যোগ বিচিন্ন হোৱাত খাদ্য সামগ্ৰীৰ সৰবৰাহৰ ক্ষেত্ৰত এক গুৰুতৰ পৰিস্থিতিৰ উদ্ভৱ হ'ল। কিছুমান সামগ্ৰীৰ সাময়িক নাটনি আৰু মূল্য বৃদ্ধি পৰিলক্ষিত হ'ল। অৱশ্যে কেৱল দুই এপদ সামগ্ৰীৰ বাহিৰে বাকী সামগ্ৰীৰ মূল্য বৃদ্ধি সৰ্ব্বভাৰতীয় পৰ্য্যায়ত হৈছিল। বানপানী আৰু যোগাযোগ বিচিন্ন হোৱাটোৱেই ইয়াৰ মূল কাৰণ বুলি কব নোৱাৰি। তথাপিও চৰকাৰে ৰাজহুৱা বিতৰণ পদ্ধতিৰ যোগে চাউল, চেনি, নিমখ আৰু কেৰাচিন তেল আদিৰ যোগান সকলো সময়তে অব্যাহত ৰাখিছে।

আমাৰ ৰাজহুৱা বিতৰণ আছে। ভাৰত চৰকাৰৰ পৰা ৰাজহুৱা বিতৰণৰ কাৰণে ৭২ হেজাৰ মেট্ৰিক টন চাউল দিব লাগে বুলি আমি অনুৰোধ কৰিছো। গাওঁ অঞ্চলত সমবায় আৰু সুলভ মূল্যৰ জৰীয়তে ৭২ হেজাৰ মেট্ৰিক টন চাউল বিতৰণ কৰিব লাগে বুলি যোগাযোগ কৰিছিলো। কিন্তু তাৰ ঠাইত কেন্দ্ৰীয় চৰকাৰে প্ৰথমে ২০ হেজাৰ মেট্ৰিক টন চাউল দিছে আৰু তাৰ পিচত ৪০ হেজাৰ মেট্ৰিক টন চাউল দিছিল। মই দিল্লীলৈ গৈ অনুৰোধ কৰাত আৰু ৫ হেজাৰ মেট্ৰিক টন চাউল বঢ়াই দিছে। সৰ্ব্বমুঠ আমাক দিছে ৪৫ হেজাৰ মেট্ৰিক টন চাউল। সমবায় সমিতি সমূহৰপৰা গাওঁ অঞ্চলৰপৰা অভিযোগ আহি আছে যে চাউল কম হৈছে। আমাক ৭২ হেজাৰ মেট্ৰিক টন চাউল লাগে, কিন্তু সেইমতে কেন্দ্ৰীয় চৰকাৰে দিব পৰা নাই। গতিকে ৰাইজে যি ধৰণে পাব লাগে সেই ধৰণে পোৱা নাই। চেনি ১০ হেজাৰ মেট্ৰিক টন লাগে, কিন্তু ৯ হেজাৰ ৫০০ শ মেট্ৰিক টন দিছে। অৱশ্যে যেহু যিমান লাগে সেই হিচাবে পাই আছো। লগা মতে বিতৰণ কৰি থকা হৈছে।

অসাধু ব্যৱসায়ী সকলৰ কথা উল্লেখ কৰা হৈছে। অসাধু ব্যৱসায়ীয়ে যাতে অত্যাৱশ্যকীয় সামগ্ৰীৰ সৰবৰাহৰ ক্ষেত্ৰত উদ্ভৱ হোৱা পৰিস্থিতিৰ সুযোগ

গ্ৰহণ কৰি কৃত্ৰিম নাটনি ও মূল্য বৃদ্ধি কৰিব নোৱাৰে তাৰ বাবে উপায়ুক্ত মহকুমাধিপতি সকলে সতৰ্ক দৃষ্টি ৰাখিছে। প্ৰতিজন ব্যৱসায়ীয়ে যাতে তেওঁ-লোকৰ দৈনিক মজুত সম্ভাৰ আৰু মূল্য ঘোষণা কৰে তাৰ প্ৰতি চোকা দৃষ্টি ৰখা হৈছে। আলোচনা কৰি স্বেচ্ছাই মূল্য নিৰ্দ্ধাৰণ কৰা হৈছে। তালাচী আদি কৰি মজুত কৰি ৰখা খাদ্য সামগ্ৰী উদ্ধাৰ কৰা হৈছে। উপা-য়ুক্ত আৰু মহকুমাধিপতি সকলৰপৰা পোৱা তথ্য অনুযায়ী চলিত বছৰত এতিয়ালৈকে সৰ্ব্বমুঠ ২৫৪০ টা তালাচী অভিযান চলাই ১১ জন লোকক আটক কৰা হৈছে আৰু আনুমানিক ৫১,৬৬,৯৪৭ টকা মূল্যৰ খাদ্য সামগ্ৰী জব্দ কৰা হৈছে। এনেকুৱা তালাচী অভিযান অব্যাহত আছে। ইতিমধ্যে ৮৪ টা গোচৰ তৰা হৈছে।

এইক্ষেত্ৰত যি ধৰণে ব্যৱস্থা কৰিব লাগিছিল সেই ধৰণে কৰা হোৱা নাই। তালাচী অভিযান কৰি অসাধু ব্যৱসায়ী সকলক সকলো ধৰণৰ ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

মিটাৰ গজ, ব্ৰডগজৰ এটা লাইন আৰু স্থলপথৰ যোগাযোগ বিচ্ছিন্ন হোৱা বাবে খোলা থকা ব্ৰডগজৰ মাত্ৰ এটা লাইনেৰে খৰতকীয়াকৈ খাদ্য সামগ্ৰী সৰবৰাহ কৰাৰ ব্যৱস্থা লোৱা হৈছে। উপায়ুক্ত সকলৰ পৰামৰ্শ ক্ৰমে ভালে কেইজন ব্যৱসায়ীক প্ৰয়োজনীয় ব্ৰডগজ ডবাৰ যোগান ধৰিবলৈ ৰেল কৰ্ত্তৃপক্ষক অনুৰোধ কৰা হৈছে। ৰেল কৰ্ত্তৃপক্ষই দুই ৰেক চেনি আৰু ৩৮ টা ডবাত অন্যান্য খাদ্য সামগ্ৰী অনাৰ বাবে ব্যৱসায়ীক আবণ্টন দিছে। তাৰোপৰি মিটাৰ গজ শাখাত আৱদ্ধ হৈ থকা ডবাবোৰৰ খাদ্য সামগ্ৰী ব্ৰডগজ ডবাৰ যোগে অনাৰ ব্যৱস্থা ৰেল কৰ্ত্তৃপক্ষই কৰিছে। নিউজলপাইগুৰি, নিউবঙ্গাইগাওঁ আৰু কামাখ্যা ৰেল ষ্টেচনত ব্ৰডগজ ডবাৰ পৰা মিটাৰ গজ ডবালৈ খাদ্য সামগ্ৰী উঠাই মিটাৰ গজ ৰেলেৰে ৰাজ্যৰ বিভিন্ন মিটাৰ গজ ষ্টেচনলৈ নিয়াৰ ব্যৱস্থা কৰা হৈছে।

বানপানীৰ সময়ত ৰেল লাইন ভাঙি গৈছিল। তাৰ পিচত ৰেল চলাচল বন্ধ আছিল। ৰেল কৰ্ত্তৃপক্ষই ব্ৰডগজ লাইনেৰে ভাৰতৰ বিভিন্ন ৰাজ্যলৈ খাদ্য সামগ্ৰী পঠাইছিল। যিবিলাক খাদ্য সামগ্ৰী ব্ৰডগজেৰে গুৱাহাটীলৈ আহে, তাক অসমৰ বিভিন্ন ঠাইলৈ মিটাৰ গজ লাইনেৰে স্থানান্তৰ কৰাৰ ব্যৱস্থা কৰা হৈছিল। মই ভাৰতীয় খাদ্য নিগমৰ লগত যোগাযোগ কৰিছো আৰু তেওঁলোকে মোক জনাইছে যে ঘেহু আছেই আৰু বাকী খাদ্য বস্তু আহিব।

ইতিমধ্যে লেভি চেনি আহি থকা বুলি কৈছে। তেওঁলোকে তিনি মাহৰ কাৰণে খাদ্য মজুত ৰাখিব লাগে। এইবাৰ তেওঁলোকে ৰাখিব পৰা নাই।

আমাৰ আগতে আলোচনা মৰ্ম্মে তিনিমাহৰ কাৰণে খাদ্য সামগ্ৰী মজুত ৰখাৰ কথা আছিল কিন্তু ৰাখিব পৰা নাই কাৰণে আমাক দোষাৰোপ কৰা হৈছে। এতিয়া তেওঁলোকে ৰাখিব বুলি প্ৰতিশ্ৰুতি দিছে। ভাৰতীয় খাদ্য নিগমে এনেদৰে মজুত নৰখাৰ কাৰণেই এই অৱস্থা হবলৈ পাইছিল। বান-পানীৰ সময়ত বিধ্বস্ত অঞ্চলবিলাকত আমাৰ চৰকাৰৰ তৰফৰপৰা খাদ্য সামগ্ৰী যোগান ধৰা হৈছিল। ষ্টেটফেডৰ পৰা মচুৰ ডাইল আদিও যোগান ধৰা হৈছে। আচলতে কথা হৈছে ইউ-পিৰ পৰা যি মচুৰ ডাইল আহিব লাগে সেইটো অহা বন্ধ হৈছিল। ষ্টেটফেডে ইউ-পিৰ পৰা মাত্ৰ তিনিটাহে ডবা আনিব পাৰিলে। ভাৰতৰ যি কেইখন ৰাজ্যৰপৰা আমাৰ ইয়ালৈ খাদ্য সামগ্ৰী বিলাক আহে সেই সেই ৰাজ্যৰপৰা আনিব নোৱাৰাৰ কাৰণেই মূলতঃ আমাৰ ইয়াত নাটনিৰ সৃষ্টি হৈছিল। আনকি ষ্টেটফেডৰদ্বাৰা ইউ-পিৰ পৰাও বস্তু আনিব পৰা হোৱা নাছিল। পিচত মন্ত্ৰীলৈ টেলিগ্ৰাম কৰি দিয়াৰ পিচতহে মাত্ৰ ষ্টেটফেডৰ ডবা তিনিটা আনিবলৈ দিছে। বাকীবিলাক আনিবলৈ দিয়া নাছিল। ষ্টেটফেডৰ জৰীয়তে প্ৰতি কেজিত ছয় টকা ত্ৰিশ পইচাকৈ মচুৰ ডাইল প্ৰতি পৰিয়ালৰে মাজত তুকেজিকৈ দিয়াৰ কাৰণে ৰাইজে সকাহ পাইছে। তেনেকৈয়ে মিঠাতেল আদিও যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে। মিঠাতেল ২৪.৫০ টকাকৈ সুলভ মূল্যৰ দোকান বিলাকৰ জৰীয়তে আৰু ষ্টেটফেডৰ পৰা পোনপটীয়াকৈ ২৩.০০ টকাকৈ মিঠাতেল যোগান ধৰাৰ ব্যৱস্থাও কৰা হৈছে। ইয়াৰ ফলত চৰকাৰৰ বহুখিনি টকা ষ্টেটফেডৰ মাধ্যমত লোকচান হলেও ৰাইজক সকাহ দিবলৈকে এনে ব্যৱস্থা কৰা হৈছে। বাহিৰত মিঠাতেল ২৭.০০ টকাকৈ প্ৰতি লিটাৰত চলি থকা অৱস্থাত ষ্টেটফেডৰ মাধ্যমত এই ধৰণে দিব পৰাটো ৰাইজৰ কাৰণে সকাহ ব্যৱস্থা হৈছে। কলিকতাত চৌত্ৰিশ টকাৰপৰা পঞ্চাশ টকালৈ প্ৰতি কেজিত মিঠাতেল বিক্ৰী হোৱা বুলি টেলিগ্ৰাফ কাকতত ওলাইছে। কলিকতাতো পচিশ টকা ধাৰ্য্য কৰিছিল যদিও ৰাখিব নোৱাৰিলে। আচল কথা হ'ল সৰ্ব্বভাৰতীয় ভাবেই বস্তুৰ দাম বাঢ়িছে। আৰু উৎপন্ন হোৱা ঠাইবিলাকত বস্তুৰ দাম বাঢ়িলে আমাৰ ইয়াতো তাৰ প্ৰভাৱ পৰে। বিশেষকৈ কাণপুৰ, দিল্লীৰ ওচৰ-পাজৰ অঞ্চলত মিঠাতেলৰ উৎপন্ন বেছি কাৰণে আৰু বেছি ভাগ সামগ্ৰীয়েই আমি বাহিৰৰপৰা আনিব লগীয়া হোৱা কাৰণে

আমাৰ ইয়াতো নাটনিৰ সৃষ্টি হৈছিল। সেই কাৰণেই আমিও কষ্ট ভোগ কৰিবলগীয়া হৈছো। ষ্টেটফেডৰ পৰা প্ৰতি কেজিত ৫.৫০ টকা দৰত পিয়াজ দিয়াৰ ব্যৱস্থা কৰাৰ পৰা পিয়াজৰ দাম বজাৰত নিম্নগামী হবলৈ ধৰিছে আৰু এতিয়া প্ৰায় স্থিতাৱস্থালৈ আহি সুস্থিৰ অৱস্থাত ৰৈছেহি। ইতিমধ্যে আমাৰ ইয়াৰে বানপানীৰ অৱস্থালৈ চাই আৰু প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে কেন্দ্ৰৰপৰা অধিক পৰিমাণে পোন্ধৰ হাজাৰ মেট্ৰিক টন চাউল দিয়াৰ কথা সিদ্ধান্ত হৈছে। এই চাউলখিনি এফ-চি-আইৰ পৰা ষ্টেটফেড লোৱাৰ কথা সিদ্ধান্ত হৈছে। এইবিলাক ক্ষতিগ্ৰস্ত অঞ্চল বিলাকত বাইজৰ মাজত সকাহ দিবলৈ িৰ পৰা হব। কিছু কম দামত বিতৰণ কৰিবপৰা হলে ৰাইজৰ সকাহ হব বুলিয়েই ভাবি এই ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে চাউল, মিঠাতেল আদি মজুত ভৰাল কৰাৰ ব্যৱস্থা ৰখা হৈছে। সেইটো বিবেচনাধীন হৈ আছে। ২৬ কোটি টকাৰ এটা ঋণ পোৱাৰ ওপৰত কথাটো নিৰ্ভৰ কৰিছে। এই ঋণ পোৱাৰ কাৰণে পৰামৰ্শ ৰখা হৈছে। এইখিনি কথা থুল মূল ভাবে কলো। ইয়াৰ উপৰিও অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে দুই এটা কথা উল্লেখ কৰিছিল সেইটো হ'ল ফাচী বজাৰৰ লগত সম্পৰ্ক থকাৰ কথা উত্থাপন কৰিছিল মাননীয় সদস্য শ্ৰীআলটাফ হুছেইন মজুমদাৰ চাহাবে। এইটো কথা মিছা। চৰকাৰৰ কোনো সম্পৰ্ক ফাচী বজাৰৰ ব্যৱসায়ীৰ লগত নাই। আমাৰ শক্তি আৰু আইন মতে আমি চলিম। গতিকে এই কথা মই অসত্য বুলি কৈছো। পিয়াজৰ দামৰ কথা আৰু মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াইও দুই এটা কথা কৈছিল, মাদ্ৰাজৰ কথাও কৈছিল। সেইটো অনুসন্ধান কৰি চাম আৰু সেইমতে ব্যৱস্থা কৰা হব। মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়া আৰু মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই চাবচিডিৰ কথা কৈছিল। এইটো আচনি আমি লৈছো। কিন্তু টকাৰ অভাৱৰ কাৰণে বিষয়টো ঠিক কৰিবপৰা নাই। টকাৰ ব্যৱস্থা হলে এইটো কৃতকাৰ্য্য হব পাৰিম বুলি আশা কৰিব পাৰো। ইয়াৰ কাৰণে প্ৰায় পোন্ধৰ কোটি টকাৰ প্ৰয়োজন হব। যোৱাবাৰ দহ কোটি টকা পোৱা কাৰণে চাউল আৰু মচুৰ দাইল সুলভ মূল্যত দিয়াৰ ব্যৱস্থা কৰিব পৰা হৈছিল। এইটো অৱশ্যে সকলো মাননীয় সদস্যই স্বীকাৰ কৰিছে যে মূল্য বৃদ্ধি এটা সৰ্ব্বভাৰতীয় সমস্যা। গোটেই ভাৰততে মূল্য বৃদ্ধি হৈছে আৰু তাৰ প্ৰভাৱ আমাৰ অসমতো নপৰাকৈ থকা নাই। মাননীয় সদস্য শ্ৰীশ্বহিদুল ইচলামে

অনাহাৰত মানুহৰ মৃত্যু হোৱা বুলি কৈছে। আচলতে মই কওঁ সেইটো ৰিপোর্ট আমাৰ হাতত নাই। তেখেতে দুভিক্ষি হোৱা বুলিও কৈছে। আমাৰ ইয়াত দুভিক্ষি হোৱা নাই। অসমত দুভিক্ষি হোৱা নাই। গণ পৰিষদ চৰকাৰ থকাত দুভিক্ষি হব নোৱাৰে। অন্য চৰকাৰ থকা হোৱা বেলেগ কথা আমাৰ গণ পৰিষদ চৰকাৰ থকাত দুভিক্ষি হবলৈ নিদিওঁ। খাদ্য বিভাগ ব্যৰ্থ হৈছে বুলি কৈছে কিন্তু সেইটো নহয়। মই প্ৰতিবাদ কৰিছো ব্যৰ্থ হোৱা নাই। আটাইতকৈ ভাল কথা আমাৰ মাননীয় সদস্য শ্ৰীভবেন নাৰ্জি ডাঙৰীয়াই কৈছে যে আমি অধিক শস্য উৎপাদন কৰিব লাগে। এইটো ঠিক যে অধিক শস্য উৎপাদন কৰিলে আমাৰ এই অভাৱ আতৰিব আৰু অন্য প্ৰদেশৰপৰা খাদ্য সামগ্ৰী বেছি ননাকৈ চলিব পাৰিম। খাদ্য দ্ৰব্যৰ ক্ষেত্ৰত স্বনিৰ্ভৰশীল হব পাৰিলে আমি কৃত্ৰিম নাটনি ৰোধ কৰাত সহজে সফল হব পাৰিম। তেতিয়া হলে যি কোনো ধৰণৰ অৱস্থাতেই আমি বিপদত পৰিবলগীয়া অৱস্থা নহব। গতিকে কেনেকৈ অধিক শস্য উৎপাদন কৰিব পাৰি সেইটো চাব লাগিব। মই মাননীয় সদস্য গৰাকীক ধন্যবাদ জনাইছো তেখেতৰ এই পৰামৰ্শ বাবে।

আমাৰ ৰাজ্যত এই বছৰ বানপানীৰ কাৰণে যথেষ্ট খাদ্য বস্তু নষ্ট হল সেইটো আমি ৰবি শস্যৰ আচনি লৈ পূৰণ কৰিব বিচাৰিছো। যদি আমি এইদৰে আমাৰ প্ৰয়োজনীয় খাদ্য বস্তুৰ কিছু পৰিমাণে এইদৰে উৎপাদন কৰিব পাৰো তেতিয়াহলে আমাৰ ৰাইজ উপকৃত হব আৰু আমি বাহিৰৰপৰা যিমান বস্তু আনিব লাগে সিমান বস্তু নানিলেও চলিব। অসমলৈ ১৫ লাখ মেট্ৰিক টন চাউল আনিব লাগে। দাইল যিমান লাগে অৰ্থাৎ ২ কোটি ৩৫ লাখ মানুহৰ কাৰণে যিমান দাইল লাগে সেই আটাইখিনিয়েই বাহিৰৰপৰা আনিব লগীয়া হয়। ৫ খন ট্ৰেইনত যিমান আহে সিমান চাউল প্ৰতি মাহে আমি আনিব লাগে। শ্ৰীভবেন নাৰ্জি ডাঙৰীয়াই যি অধিক শস্য উৎপাদনৰ কথা কৈছে সেইটো মই সমৰ্থন কৰো। সেইটো কৰিব পাৰিলে আমি বৰ্ত্তমান যিমান বস্তু অসমৰ বাহিৰৰপৰা আনিব লগীয়া হৈছে সিমান বস্তু নানিলেও চলিব।

এতিয়া আমাৰ অসমখনে সম্পূৰ্ণভাবে বাহিৰৰ বস্তুৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হৈছে। কিছু দিনৰ আগতে উত্তৰ প্ৰদেশ চৰকাৰে কিছু দিনৰ কাৰণে যেতিয়া বস্তু আমাক দিয়া বন্ধ কৰি দিছিল তেতিয়া কি অৱস্থা হৈছিল সেইটো সকলোৱে জানে। এতিয়া আমি সম্পূৰ্ণভাবে হাৰিয়ানা আৰু পঞ্জাবৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। তেওঁলোকে আমাক বস্তু নিদিলে আমাৰ যে

কি অৱস্থা হব আমি ভাবিবই নোৱাৰো। আমাৰ অসমক যিমানবিলাক ৰাজ্যই সহায় কৰি আছে সেইদৰে আগলৈকো যাতে সহায় কৰি যায় সেই-টোকে আশা ৰাখিছো। আমাৰ বাহিৰৰপৰা বস্তু অনাৰ জলপথ আৰু ৰেল-পথৰ অসুবিধাৰ সৃষ্টি হৈছে। গতিকে যিমান বিলাক বস্তু আনিবলগীয়া হৈছে সেইবিলাক ট্ৰাকেৰে আনিবলগীয়া হোৱাত খৰচ বেচি পৰিছে। ট্ৰাকেৰে বস্তু আনিলে ৰেল বা জাহাজতকৈ খৰচ বেচি পৰে। সেই বাবে আমি পাণ্ডু বন্দৰটো মুকলি কৰিব খুজিছো। এইটো কাম কৰিব পাৰিলে আমি জাহাজেৰে বস্তু আনিব পাৰিম আৰু তাকে কৰিব পাৰিলে খৰচ কম পৰিব। এতিয়া মই অনুৰোধ কৰিছো যে আমাৰ মাননীয় সদস্যসকলে আমাৰ ৰাজ্যখনৰ যি পৰিস্থিতি সেইটো উপলব্ধি কৰিব পাৰিছে। চৰকাৰ ব্যৰ্থ হৈছে বুলি কলেই নহব। ভাৰত চৰকাৰৰ যিখন গ্ৰাহক আইন সেইখন আমি প্ৰবৰ্ত্তন কৰিব বিচাৰিছো। সেইখন টকাৰ অসুবিধাৰ কাৰণে কৰিব পৰা নাই কাৰণ ইয়াৰ কাৰণে চাৰ্জ দিব লাগিব। এই আইনৰ সুবিধা হৈছে যে থলতে বিচাৰ কৰি সমাধান কৰিব পাৰিব। আমাৰ চৰকাৰৰ সকলো মাননীয় সদস্যই দিহা পৰামৰ্শ দি সহায় কৰিব বুলি আশা ৰাখিছো। যাতে আমাৰ বস্তুৰ সৰবৰাহ ভাল ভাবে হৈ থাকে আৰু আমি যাতে বস্তুৰ মূল্য স্থিতাৱস্থাত ৰাখিব পাৰো তাৰ কাৰণে চেষ্টা চলাই যাম।

(বেল ৰিং)

অধ্যক্ষ মহোদয়, মই ইমানকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

## Discussion under Rule 49

Shri Altuf Hussain Mazumdar :—Mr. Speaker, Sir, at the out set I thank the hon'ble Speaker for kindly allowing me to raise a discussion under Rule 49 in respect of a very important matter regarding an institution. This relates to Health Ministry. I shall try to be as short as can be possible as I know the Minister is trying his best to remedy the problems. But he cannot do it alone un-

less the whole Government moves with him. I am raising the matter so that the Government rises from the leviathani slumber. The subject matter is Silchar Medical College. Sir, if an atheist is taken to the Silchar Medical College to visit it he will definitely start believing god. Because this institution is running virtually without doctors. I will be submitting the figures not from own source but the Government has admitted it. Sir, for every Medical College there is a minimum norm prescribed by the Indian Medical Council. There are hospitals running with more doctors than prescribed by the Indian Medical Council. According to that norms of IMC and already sanctioned post without doctors, if the total is taken Silchar Medical College is said to, be running with shortage of 94 doctors. That is 100 doctors minus 6 doctors. Can anybody imagine that a Medical College is said to be, alleged to be running and described to be running with a shortage of 94 doctors. According to Indian Medical Council requirement the barest minimum to run a Medical College, there is shortage of 64 doctors plus shortage of 32 doctors out of the posts already sanctioned. So the total come to 94. Not only this Sir, recently the paying wards, though not in writing, but in practice has been closed. If anybody wants to take a paying cabin then the Professor-in-charge will say, no I cannot allow it because the College is running with a shortage of 100 less 6 doctors and required nurse. They are justified, admission is restricted though it is not in writing. Can you imagine of a Medical College without the cabin service ? Sir, this Medical College is serving not only the people of the districts of

Cachar or Barak Valley, but people from Mizoram and other places also come there. Sir, this is not the only part of the story. According to the minimum standard prescribed for the nurses, the minimum requirement of nurses is 254 and that is according to Government own statement. There are only 70 nurses. Then House staff is also an essential part of the Medical College and the requirement of House staff is 67 and out of 67 there are only 28 House staff are there.

Sir, by raising this discussion today, I wanted to make the Government understand the problem and the gravity of the situation. This I particularly refer through Sir, to impress upon the Government that it needs immediate attention and that it brooks no delay. It does not speak well of the Government and it does not speak well of the Minister. I know there are difficulties. For these difficulties, the officers are there, the department is these. The difficulty will be everywhere and we will have to move through difficulty. The next point is about shortage of doctors. If you do not have sufficient doctors, you may appoint doctors on contract basis. By the time our boys come out, we may meet the shortage. So the hon'ble Minister will have to something. There is similarly the shortage of nurses. In regard to shortage of Ward girls, the college authorities have given a proposal. In the case of insufficient number of nurses, the Ward girls can somehow manage some work in the level. There are vacancies in some important departments like Anatomy and Surgery Cardiology etc. I will therefore, request the Government to look into it. I draw the attention of the Chief Minister as

well as the Hon'ble Health Minister. Atleast we must say, things will be better if you do not have any parochial view.

My thanks to the doctors, nurses and other staff who are keeping the door of S.M.C Hospital open by working hard and beyond prescribed hours.

Shri Chandra Mohan Patwari, ( Minister, Health ):—
Hon'ble Speaker Sir, as stated by the Hon'ble Member regarding vacancies in the Silchar Medical College, prima facie, I really realise the gravity and urgency of the matter.

Regarding shortage of doctors in Silchar Medical College, we are taking all necessary steps to fill up the vacancies. I would like to inform the House the shortage of doctors is not the problem of Silchar Medical College alone. It is the problem of three Medical College of Assam. The point is that comparatively the vacancies are more in the Silchar Medical College. There are altogether 30 vacancies and not 96 vacancies as referred to by there Hon'ble member. Out of 30 vacancies, 10 vacancies are there because these doctors have gone outside the State for higher education. These posts will be filled up automatically when they return from deputation. For the remaining posts, I have already answered about the matter in my Unstarred Question. I would like to inform the Hon'ble Member that the process of interview for appointment of doctors has already started. The moment the interview is over, the problem will also to some extent be solved. Secondly, I would like to inform that this AGP Government is really thinking for the Silchar Me-

dical College. It was neglected by the earlier Government Hon'ble Member Shri Altaf Hussain Mazumder has raised the question that the shortage was not filled up according to IMC norms. It is true, there is shortage as per IMC norms. The earlier Government did not take a single decision to fill up the vacancies. Sir, for your kind information, I would like to inform the House that our Government has taken a decision to create the following posts :—

1. Associate Professor of Cardiology
2. Associate Prof. of ENT
3. Associate Prof. of T. V.
4. Associate Prof. of Radiology
5. Associate Prof. of Medicine
6. Professor of Orthopaedics
7. Professor of SPM
8. Associate Professor of Opthalmology
9. Assistant Professor of Surgery

   and

10. Registrar of Opthalmology.

There is a real shortage of 15 posts in different departments on the Hospital side. As per IMC norms, 10 posts have already been created. Secondly, regarding paying cabin, it is not true that due to shortage of doctors the cabins are lying closed.

On the clinical side, there might to be one or two vacancies, but this shortage is not likely to hamper the functioning of the Hospital. There is one vacancy in the Cardiology Department because we have no doctor with DM degree. This time, we have managed to appoint a doctor in the post of Asstt. Professor in the Cardiology

Deptt. But there is vacancy caused in the post of Demonstrator as there is no doctor with DM degree available. We could not post any Associate Professor. So far as we are concerned, we are doing our best. I hope the House will appreciate how we are thinking in terms of development of Silchar Medical College.

Secondly Sir, for strengthening the Silchar Medical College we are going to appoint some more Professors, Doctors, Resident Surgeons, etc. In this connection I would like to inform the House that because of flood we could not hold interview for these posts in time and we have brought some Doctors on deputation from State Rural Health Service and deputed them to Silchar Medical College Hospital. Now the moment the interview will be finished on 14th October these Doctors brought on deputation will go back to their own places and we will fill up their vacancies. There is of course shortage of Nurses. The earlier Government did not do anything to increase the number of Nurses. Now this Government has taken up a scheme to train up 600 Nurses per year. And, after one year I am definite that shortage of Nurses in the hospitals will be over. So, Sir, we are trying our level best to fill up all categories of vacancies in the interest of the people of the State. Sir, the Health Minister and other Ministers of earlier Government stated number of times on the floor of this august House that they will start one Pharmacist Institute at Silchar Medical College. But there was no proposal. Nothing has been done by them. Simply they have misled the House. It is only our Government that has taken a decision to start a Pharmacist Institute from

this year in Silchar Medical College. It shows our interest to develop the Silchar Medical College. With these, Sir, I conclude.

Shri Diwan Joynal Abedin :--May I raise item No. 2, Sir ?

Mr. Speaker :--No. Now Shri Kumar Dipak Das.

## Breach of Privilege

কুমাৰ দীপক দাস ঃ—মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৮-১০-৮৭ তাৰিখে মই ১৫৯ নং নিয়মাৱলী অনুসৰি এখন নটিচ মাননীয় অধ্যক্ষলৈ প্ৰেৰণ কৰিছিলো। নটিচখন এই কাৰণেই দিছিলো যে যোৱা ৮-১০-৮৭ তাৰিখে মাননীয় সদস্য শ্ৰীঅৰ্দ্ধেন্দু দে ডাঙৰীয়াই এটি দৃষ্টি আকৰ্ষণমূলক প্ৰস্তাৱ উত্থাপন কৰিছিল, আৰু সেইটো উত্থাপন কৰিবলৈ যাওঁতে মাননীয় অধ্যক্ষ থিয় হৈ থাকোতেই আৰু অধ্যক্ষ মহোদয়ৰ ৰুলিং অমান্য কৰি নিজৰ আসন ত্যাগ কৰি ওলাই গুচি গৈছিল। এই ক্ষেত্ৰত সদনৰ ডেকৰাম ভঙ্গ কৰা হৈছে। সেয়ে ৰুলৰ ২৮৫ নং মতে মই সদনৰ পৰম্পৰা ৰক্ষা কৰিবৰ কাৰণে আৰু যাতে ভৱিষ্যতে এনে নহয় সেইটো লক্ষ্য ৰাখি মই এইক্ষেত্ৰত এটা বিহিত ব্যৱস্থা লোৱাটো বিচাৰিছো।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ—মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে সদনৰ সন্মুখত এজন মাননীয় সদস্যই আপুনি থিয় হৈ থাকোতেই গোটেই সদনকে অপমান কৰি উচ্চস্বৰে চিঞৰি কথাকৈ ওলাই গৈছিল। যেতিয়া মাননীয় অধ্যক্ষ থিয় হৈ থাকে তেতিয়া আন সদস্যসকল বহি থাকে এইটো স্পষ্টকৈ দিয়া আছে। তেখেতে তেতিয়াও থিয় হৈ আছিল আৰু ইয়াৰদ্বাৰা আপোনাক অপমান কৰিছে আৰু সদনৰ বিশেষ অধিকাৰ ভঙ্গ কৰিছে। আৰু এটা কথা যেতিয়া পাৰ্টি লেভেলত "তেওঁলোকে ওৱাক আউট কৰে তেতিয়া নায়কজনক সমৰ্থন কৰি বাকী সদস্যসকল ওলাই যায়। কিন্তু এইক্ষেত্ৰত দেখা গ'ল যে সদনৰ ভিতৰত তেওঁলোকে দলৰ আইডেনটিটী দিয়ে যদিও বহু সময়ত তেখেতসকলৰ

লীডাৰকে অৱমাননা কৰে। ৰুল ১৮৫ত এইটো পৰিস্কাৰ দিয়া আছে যে মাননীয় অধ্যক্ষ থিয় দিয়াৰ লগে লগে অন্য সদস্য বহিব লাগে। কিন্তু তেখেতে বহাও নাই আৰু আপোনাৰ ৰুলিঙক অৱমাননা কৰিছে। গতিকে এই বিষয়টো সদনৰ বিশেষ অধিকাৰ ভঙ্গৰ কমিটিলৈ প্ৰেৰণ কৰিব লাগে।

Shri A F Golan Osmani :—Sir, it is a very sorry incident. But it not new. Sometimes at the hit of the moment the Members do this thing. It is not new; in the past also it had happened. Normally when you are on your legs it should not have been done, I admit it. As the Leader of the UMF Legislature Party I beg to offer my regret. Sir, I had also done it when I met you last. Now taking such things always to the Privilege Committee and then giving notices which I feel, will be rather taking things to far. So I request in view of the regret I have expressed to the Hon. Speaker previously and now as well as in the House, the matter may be dropped here. The member concerned is a very emotional person. There are three or four hon. members belonging to different political parties whom you find difficult to control. (laughter) This is the last day of the current session. A subject matter concerning the conduct of a Member should not be taken up in a warlike manner, rather we depart in good spirit and feeling. So, I request hon. member Shri Kumar Dipak Das to withdraw his notice in view of my submission.

মাননীয় অধ্যক্ষ :—কুমাৰ দীপক দাসে এতিয়া প্ৰস্তাৱটো উঠাই লবনে?

কুমাৰ দীপক দাস :—মাননীয় অধ্যক্ষ মহোদয়, ভৱিষ্যতে যাতে সদস্য গৰাকীয়ে তেনে ব্যৱহাৰ নকৰে, যদিও সদস্য গৰাকী আজি সদনত উপস্থিত নাই, তথাপিও তেখেতৰ পাৰ্টিৰ লীডাৰে তেখেতৰ হৈ অনুৰোধ কৰাত মই

ভৱিষ্যতে আৰু তেনে নহব বুলি আশা ৰাখি মোৰ প্ৰস্তাৱটো উঠাই লৈছো।

Mr. Speaker :—The matter is dropped.

## Constitution of Inquiry Committee

Mr. Speaker :—I have received a notice of breach of privilege given by Hon'ble Member Shri Bharat Chandra Narah against Shri Lakhi Prasad Lahakar for criticising his speech and observation made in the House about the functioning of the Assam Electricity Board. The matter is under my examination.

Hon'ble Member may kindly recall that I assured the House on 9th October '87 that I would constitute an Inquiry Committee to go into the various aspects of the functioning of Assam State Electricity Board as desired by Hon'ble Members of both sides of the House. After examination I have found that the State Electricity Board is a public undertakings established by a State Act and activities of this Board like other Boards are required to be examined by the Committee on Public Undertakings constituted by the House and the Assam State Electricity Board is included in the Fourth Schedule of Rule 268 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to bring it under the direct purview of the Legislature.

In view of this fact, I find that if a separate Inquiry Committee is constituted the work of the Inquiry Committee will overlap with the work, duties and functions of the Public Undertakings Committee.

I, therefore, constitute an Inquiry Committee out of the Members of the Public Undertakings Committee with the following Members :—

| | | |
|---|---|---|
| 1. Kumar Dipak Das | .... | Chairman |
| 2. Shri Pradip Hazarika | .... | Member |
| 3. Shri Santi Ranjan Das Gupta | | Member |
| 4. Shri Holi Ram Terang | .... | Member |
| 5. Shri Gautam Ray | .... | Member |

I also appoint the Secretary, Assam Legislative Assembly as the Secretary to the Inquiry Committee in pursuance of Rule 199 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly.

## TERMS OF REFERENCE

1. Whether there has been power crisis in State and if so what are the reasons ?
2. What are the reasons for which there have been frequent power failures throughout the State ?
3. Whether the Assam State Electricity Board has been able to generate adequate internal resources to finance its growth and if not what are the reasons ?
4. What is the financial result Planwise and what are the reasons attributable to the lossess if incurred by the Assam State Electricity Board ?
5. Whether the Financial, Personnel and Management policies of the Board are sound and if not what is to be done to streamline the same ?
6. What are the ills and maladies from which the Board has been suffering and what should be done to remove

them ?

The Inquiry Committee will submit its report within six months after an indepth study of all aspects by making a comparative study of the functioning of a few State Electricity Boards set up by other State Governments and will suggest measures and steps for improving the functioning of the Assam State Electricity Board so that it can play the role assigned to it.

Mr. Speaker :—Now, Hon'ble Chief Minister.

মাননীয় অধ্যক্ষ :—এতিয়া মুখ্যমন্ত্ৰীয়ে এটা বিবৃতি দিব ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) :—মাননীয় অধ্যক্ষ মহোদয়, কেইদিনমান আগতে এই সদনত মাননীয় সদস্য শ্ৰীহেমেন দাস আৰু আন কেইজনমান সদস্যই অষ্টম বিত্তীয় আয়োগৰ বিষয়ে সদনত এটা বিষয় উত্থাপন কৰোতে মই এটা বিবৃতি দিম বুলি কৈছিলো ।

মাননীয় অধ্যক্ষ :—এতিয়া ১১-৩০ মিনিট হৈছে, আমি আৰু কেইমিনিট মান সময় বহিম ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী ) :—মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া বিবৃতিটো দিবলৈ ওলাইছো ।

## Statement by Chief Minister

Shri Prafulla Kumar Mahanta (Chief Minister) :—The terms of reference laid down in the Presidential Order required the Eighth Finance Commission to take into account provision for employments of Government employees as obtaining on a specified date as the Commission deems it proper and with reference to appropriate objective criteria, that Commission accordingly decided to specify 1.4.82

as the reference date. In specifying 1.4.82 as the relevant date, the Commission wanted to have a comparable basis as regards the levels of expenditure on emoluments obtaining on a given date. They also wanted to get an idea about the comparative position of emoluments attached to certain common categories of posts viz., peons, constables, lower division clerks etc., on a common date so as to evolve objective criteria for making provision. It was also felt by them that the date should not be too remote from the date of the President's Order i.e. 20.6.82 and accordingly they settled 1.4.82 as the reference date.

The Commission also acknowledged that the considerations are more complex as regards emoluments revision and a Finance Commission can not take the place of a Pay Commission. Hence, their limited concern was merely to evolve an appropriate objective criteria on the basis of which provisions could be made. Therefore, it was decided by them to cover the dispares in the level of emoluments of certain comparable posts obtaining in various State compared to all States average as on 1.4.82. Accordingly, while assessing the revenue gap of Assam an amount of Rs. 41.73 crs. for 1984-85 to 1988-89 was taken into account as the likely liability for equalisation of emoluments of the following categories of employees as on 1.4.82 adjusted to C.P.I. 440.

1. Peon
2. Constable
3. Head Constable
4. Primary Teacher
5. Trainee Graduate teacher
6. Lower Divn. Clerk
7. Upper Divn. Clerk
8. Tehsilder
9. Revenue Inspector
10. Dy. Collector.

The emoluments as on 1.4.82 of the L.D. Clerks and U.D. Clerks of this State appeared to be more than the All State Average emoluments and as such they have not been covered undet the Award. The Eighth Finance Commission while computing the figure of Rs. 41.73 crores took into account the prevelent scales of pay of these categories of employees on the basis of 1973 Pay Commission Report. State Government however revised the scales of pay of its employees w.e.f. 1.1.81 after taking a decision on the 1979 Pay Commission Report in 1983. State Government sanctioned D.A. to its employees on 1.4.82 neutralising C.P.I. 392. Six more doses of D.A at the rate of one dose for every eighth point rise in consumer price index has also been given neutralising C.P.I. of 440. The Eighth Finance Commission however allowed neutralising of CPI 496 for D.A. and thereafter allowed 3 more doses of D.A. neutrilising CPI upto 520 during the period from 1984-85 to 1988-89. Against this the State Government has sanctioned D.A. neutralising CPI 672 from 1.4.87 and the additional expnditure for release of D.A. beyond CPI 520 forms part of States liability.

The mechanism of releasing such amount recommended by the Finance Commission is not cash release for any specific purpose. The overall gap of the State is assessed by the Commission taking into account all probable receipts and expenditure of the State. The deficits, if any, is phased out year to year and covered by the Central Government by way of lump sump grants in aid under Article 275.

The State Government however, revised the pay scales

of its employees with effect from 1.1.81 but the liability there of was discharged only from 1983-84 i.e. after the reference date of 1.4.82 fixed by the Eighth Finance Commission. Obviously, the revision of pay scales by the State Government can not be restricted only to a particular sension of employees found to be below the all States average because this will distort the existing parity in pay structure. As such the revision of pay scales under the Pay Commission, 1979 covered all categories of employees. It may be stated that out of the total number of 2.40 lakhs employees taken into account by the last Finance Commission, the common categories with reference to which Rs. 41.73 crores was calculated represents about 73% of total employees. The revision of pay scales of these categories including **D.A.** neutrilisation upto C.P.I. 440 have involved an additional annual liability of about Rs. 12 crores during 1983-84. Therefore, the total additional liability likely to be incurred for these groups for the period 1984-85 to 1988-89 would be of the order of about Rs. 70 crores allowing suitable growth rates year to year. Apart from this as already stated the State Government have sanctioned additional D.A. after 1.4.82 neutralising C.P.I. 672 as against 520 allowed by the Finance Commission. The liability for D.A. beyond the C.P.I. level of 520 has not been provided by the Finance Commission and hence forms part of State liability. It will thus be seen that the amount allowed by the Finance Commission is being spent for the purpose for which it is meant and not diverted for any other purpose.

On top of this the State Government sanctioned a

special relief to all categories of employees equivalent to 2 doses of D.A. for a period from 24.12.85 to 31.7.86. This benefit has been continuing from 1.8.86 onwards at the rate 2 doses of D.A. for employees drawing pay upto Rs. 1200 P.M. and 1 dose of D.A. for those drawing pay above 1200 P.M. The annual recurring liability against this benefit works to about Rs. 8.5 crores.

## Adjournment

The House stood adjourned Sine-die at 11.40 A. M.

Dr. P. N. Hazarika,
Secretary.
Assam Legislative
Assembly.

Dispur :
The 16th October, 1987

★★★★